# বিহলঙনি

"সত্যৰ সদায় জয়"

| | | |
|---|---|---|
| ছ-অনা | —ঃ নৱপর্য্যায় ঃ—<br>চতুর্থ সংখ্যা<br>বহাগ | ছ-অনা |


—ঃ সম্পাদক ঃ—

শ্ৰীমহেশচন্দ্ৰ দেৱ গোস্বামী।

## নৱপৰ্য্যায়— ৪ৰ্থ সংখ্যা

—সূচী—


| বিষয়— | লিখক— | পিঠি— |
| --- | --- | --- |
| ১। বিহুৱান- | শ্ৰীভুবনচন্দ্ৰ ফুকন | ৯৭ |
| ২। কল্কি বা সভ্যতাৰ ভবিষ্যত— | — | ৯৮ |
| ৩। কল্পনা— | অধ্যাপক বটকৃষ্ণ ঘোষ এম, এ, (ডবল) | ১০০ |
| ৪। চুকভেকুলী (লঘু ৰচনা) | বেক বেঞ্চাৰ | ১০২ |
| ৫। আৰ্য্য-যোগানন্দৰ চিঠি— | — | ১০৬ |
| ৬। সাধক দাৰা চেকোহ (আলোচনা) | মৌঃ হবিবুৰ ৰহমান এম, এ, | ১০৮ |
| ৭। শূৰ্পনখা— | কিৰণ চন্দ্ৰ শৰ্ম্মা এম, এ, | ১১০ |
| ৮। আমাৰ দেশৰ বৰ্ত্তমান শিক্ষাৰ অৱস্থা— | শ্ৰীভৱকান্ত দত্ত বি, এচ, চি, বি; টি | ১১১ |
| ৯। সমাজিকত ৺বৰবৰুৱা কৃপাবৰ— | শ্ৰীৰত্নকান্ত বৰকাকতী | ১১৩ |
| ১০। নিকাৰে ভৰক চাৰিও কুল— | শ্ৰীঅম্বিকাগিৰি ৰায় চৌধাৰী— | ১১৫ |
| ১১। এইটোৱেই ইহঁতৰ জীৱন— | শ্ৰীৰাধিকামোহন গোস্বামী | ১১৭ |
| ১১। ভীম- | শ্ৰীহেমচন্দ্ৰ শৰ্ম্মা এম, এ | ১২২ |
| ১৩। বৰ্ষ ফলম— | শ্ৰীফৰিঙা কাকতি | ১২৪ |
| ১৪। পুথি পৰিচয়— | — | ১২৬ |
| ১৫। মাহফল— | শ্ৰীগিৰীশচন্দ্ৰ শৰ্ম্মা জ্যোতিষ সামুদ্ৰিক ৰত্ন— | ১২৮ |


* *

# বিহঙ্গনি


—: সত্যৰ সদায় জয় :—

[ মাহেকীয়া আলোচনী ]

নৱ পৰ্য্যায়:— ৪ৰ্থ সংখ্যা ; বহাগ, ৫০৫ শ্ৰীশঙ্কৰাব্দ, ১৮৭৬ শক, এপ্ৰিল ১৯৫৪ ।


## বিহুৱান

শ্ৰীভুবন চন্দ্ৰ ফুকন ।

(১)

আনন্দ-জেউতি মাথো,
সৃষ্টিৰ সমল,
সুবৰ্ণ ৰেখাৰে জ্বলে,
মানস পটত ;
তাকেই বিচাৰি নিতে
ব্ৰহ্মাণ্ড বলিয়া,
সৃজনৰ আদি অন্ত
তাৰেই বুকুত ।

(২)

সৃষ্টি-পাতনিতে সেই,
প্ৰথম মানবে
আপোন বুকুৰ মাজত
ৰঙ্গমঞ্চ থাপি ;
অসীম অনন্ত যুগ
অতিক্ৰম কৰি,
বাস্তৱত দৃশ্যপট,
আঁকে বিশ্বব্যাপি ।

(৩)

অন্তৰৰ বিহুৱতী
ৰূপ, ৰস, গানে,
মোহিনী বেশেৰে শোভে,
বিপুল ধৰাত ;
সূক্ষ্ম স্নায়ু-তন্ত্ৰী স্পৰ্শি
বিচিত্ৰ ভঙ্গীৰে,
নচুৱায় প্ৰতি অণু
প্ৰেম মদিৰাত !

(৪)

বিহুৰ দেৱতা নিজে,
বিশ্বৰূপ ধৰি,
আপোনাৰ ৰঙ্গ ৰস,
দিয়ে ছটিয়াই ;
ব্ৰহ্মাণ্ডৰ শ্বোন, বেলি,
অণু, পৰমাণু,
স্থাবৰ, জঙ্গম; জীৱ,
ভিয়াই বুৰাই ।

(৫)

*  *

বিহুৱান ইযে মোৰ,
চিৰ আদৰৰ;
জীৱনৰ ধ্ৰুৱজ্যোতি ;
অনন্ত কলীয়া ;

বিহুৱান বিচাৰিয়েই
পৰাণ-আকুল.
কিসতে পাহৰি থাকোঁ
চিৰ লগৰীয়া,—
আনন্দ অমিয়া !

×

# —কল্কি বা সভ্যতাৰ ভৱিষ্যত—

## —পাৰিয়াল—

( যোৱা সংখ্যাৰ পিচৰ পৰা )

কিছুমান কাৰ্য্যকলাপ যেনে যোৱা মহাসমৰত অনা বিশৃঙ্খলতা, অৰ্থনৈতিক সমস্যাই পুষ্ট কৰা পলম বিবাহ, ইন্দ্ৰিয় তৃপ্তিৰ বাসনা, মাইকী বাপেকীৰ ক্ষমতা হ্ৰাস, স্ত্ৰী-শিক্ষাৰ অসামঞ্জস্য ফ্ৰয়েডৰ মনোবিজ্ঞান, আমাক স্বাভাৱিক পাৰনাম্ৰ পৰা ৰক্ষা কৰা জন্মনিৰোধ জ্ঞান বিধান আদিয়ে আমাক আমাৰ জীৱনৰ প্ৰচলিত দয়দস্তৰৰ প্ৰতি আওকাণ কৰালে। নৰৰ প্ৰতি ব্যৱহৃত নিয়ম পদ্ধতিৰ পৰা পৃথকতা মানি লবলৈ নাৰীয়ে যুক্তিৰেই অস্বীকাৰ কৰিছে। পুৰুষ আৰু স্ত্ৰীৰ মাজত শ্ৰেষ্ঠ পাৰ্থক্যতাৰ পুৰণি কল্পনা আদৰ্শ ত্যাগ কৰা হৈছে। পুৰুষে নাৰীৰ প্ৰতি দেখুৱাই অহা নিৰ্ম্মলতাৰ মন ভুলুৱা বা সৈমান কৰা ক্ষমতা হ্ৰাস পাইছে। জনা গৈছে পুৰুষৰ দৰে নাৰীও আকলুৱা, ৰিপু আদিৰে বেষ্টিত কিছুমান মহিমতাৰ্য্য জন্তু স্বৰূপ হৈ পৰিছে— যি কাৰ্য্যৰ ঔচনিত্যৈক কল্পনাক বেচি আদৰ কৰে। আমাতৈক ওপৰ বা তল হওক নহওক অন্ততঃ স্থায়িত্ব আমাৰ সমান হবলৈকে তেওঁলোকে প্ৰবল ভাবে আৰু যথেষ্ট কৃত কাৰ্য্যতাৰে নেৰানেপেৰাকৈ লাগি আছে মতান্তিৰোতাৰ সম্বন্ধ মানৱ জাতিৰ সমানেই অতি প্ৰাচীন; কিন্তু আমি ইয়াক নতুন ৰকমে নামাকৰণ কৰি সংযত আৰু শুৱলা কৰি লওঁ— তাতে হয় আমাৰ আত্ম প্ৰকাশ। শিথিলতা অতীতৰ কাহিনী সমূহত প্ৰশ্ৰয় দিয়া আৰু উচ্চ সমাজতো মানি লোৱা হয়। অৰ্থৰ ফালৰ পৰা যি তিৰোতাই "পাপ কাম কৰে সেই বিলাক সেই ব্যৱসায়ৰ পৰা বিবেককো ৰক্ষা কৰি হা-হুতাশত মত্ত হয়; আনফালে বিনা পইচাৰ মৰম চেনেহকো তিৰোতাই ত্যাগ কৰি আহিছে।" এই অনুভূতিতে বহুতে "পাপ কাম" কৰে যে বিবাহিতা তিৰুতাৰ প্ৰণয়ী থকা উচিত যদিও কোনো আসক্তিৰ কাৰণে নহয়। মতা মাইকীৰ বিশৃঙ্খলতা অনেক ক্ষেত্ৰত সামাজিক কৰ্ত্তব্য বুলিহে ধৰি লোৱা হৈছে। যেহেতু সামাজিক নিয়ম পদ্ধতিয়ে পুৰুষক মৰম চকুৰে চায় আৰু তিৰোতাৰ প্ৰতি নিৰ্দ্দয় কৰে; গতিকেই অনেক তিৰুতা সেই নিয়ম পদ্ধতিৰ তলতীয়া হব নোখোজে। সিহঁত যিমানেই সোলোক ধোলোকেই হওক লাগে, অসংযমতেই হওক সিহঁতক আক্ৰমণ কৰা বিপদ জনক। অৰ্থনৈতিক শক্তিৰ সৈতে বিবাহ পদ্ধতি আৰু মাতৃত্ব দায়িত্বৰ স্বাধীনতাই আনকি জাগ্ৰত "উগ্ৰ পন্থা" অনেক যুৱতীৰ আকাঙ্ক্ষা তালাক দিয়া অভিনয়ৰ সংখ্যা দিনক দিনে বাঢ়িব লাগিছে আৰু মাত্ৰ উকীল



আদিয়ে জোৰা লগাই দিয়া মাইকী বাপেকৰ মাজত সন্তান-সন্ততি বিলাক এবাৰ আগলৈ এবাৰ পাচলৈ ঠেলি পঠোৱা হৈছে। এই ক্ষেত্ৰত চাৰিটা পৃথক অৱস্থাই আত্ম প্ৰকাশ কৰে। মূলবাদী সকলে চলি অহা মতকেই পুনৰুক্তি কৰে আৰু দৃঢ় ভাবেই কয় যে যদি প্ৰেম বিহীন বিবাহ বিয়োগান্ত হয় তেন্তে বিবাহ বিহীন প্ৰেমো পাৰ্থিৱ নহয়। আনকি প্ৰেম ভাবেৰে হোৱা অপবিত্ৰ মিলন পাপ; আনফালে একেবাৰেই প্ৰেম বিহীন যেই সেই বিবাহো ধৰ্ম্মগত।

সমাজিক আদৰ্শবাদী সকলে কয় যে পৰিবৰ্তনশীল জগতৰ বাবে একনিৰ্দ্ধাৰিত আইন কৰা অসম্ভৱ; আদৰ্শৰ সুউচ্চ খোপত বেচিকৈ নিগাজী কৰাও অদৰকাৰ। আমি যদি কাৰ্য্যকৰী সমথলৈ নামি আহো তেন্তে আমি উচ্চৈৰ্নীতি আৰু কাৰ্য্যৰ অৱহেলাৰ অচল পাৰ্থক্য দেখা পায় আমাৰ চলিত মতেও অধিক সংখ্যক তিৰোতাক কোনো সন্তোষময় জীৱন দিয়া হোৱা নাই। উদাহৰণ স্বৰূপে গ্ৰেট-ব্ৰিটেনৰ দৰে এখন দেশতো আমি পুৰুষতকৈ দুই লক্ষ তিৰুতা বেচি পাওঁ। ধাৰ্ম্মিক জীৱন বিশ্বাসৰ বাৰ্দ্ধক্যই তিৰোতাৰ শোষণৰ "ধৰ্ম্ম সম্বন্ধীয় আইন" বোৰো কমাই দিছে। যদি এনে অৱস্থাতো একস্ত্ৰী বিবাহতে ধৰি থাকো তেন্তে অনেক তিৰুতাক অবিবাহিতা কৰিয়ে ৰখা হব। বাধ্যতামূলক কৌমাৰ্য্যৰ কথা বাদ। চলিত ৰীতিত পীড়িত সকলে মতা মাইকী হিচাবে ভাকত কাতৰ হবলৈ হাবিয়াস কিছুমান স্বভাৱতে স্নায়বিক ৰোগী হৈ পৰে, কাৰণ বুভুক্ষিত অনুভৱ শক্তিয়ে মাত্ৰ এক যন্ত্ৰনাযুক্ত আত্মাকহে বুজায়। যি বিলাক বিয়াবাৰু কৰাবলৈ অসমৰ্থ, সিবিলাকে যৌন সম্ভোগৰ অন্য উপায় উলিয়াই লৈছে। আৰু আমাক এনে অনাচাৰৰ প্ৰতি আওকাণ কৰিবলৈ বাধ্য কৰাইছে। বহু স্ত্ৰী-বিবাহ আইন বিৰোধী কিন্তু কাৰ্য্যতঃ সদায় বিৰাজমান। অভদ্ৰতা ভণ্ডামি আৰু বেমাৰ আদিক প্ৰশ্ৰয় দি সাধাৰণতঃ বহু স্ত্ৰী বিবাহে ভুক্তভোগীক অধোগতি কৰি তুলিছে। আনহাতে মৃত্যুৰে নাতৰাই মানে জয়ো জয়োৰে প্ৰতি আসক্ত থকাৰ প্ৰতিজ্ঞা কৰাও অজ্ঞানতাহে। চিৰস্থায়ী বাধ্যতাৰ চুক্তি নহলেই প্ৰণয় কেৱল নিৰাপদ। সামাজিক বিশৃঙ্খল সমস্যাৰ সমাধান হিচাবে কেৱল পৰীক্ষা স্থানীয় বিয়াকে (trialmarriage) কৰ পাৰি। সন্দেহবাদী বা নাস্তিক সকলে জানে যে আমি অতীতক ঘূৰাই আনিব নোৱাৰো কিন্তু তেওঁলোকৰ বেলিকা তেওঁলোকৰ হিয়া বৰ্ত্তমানে বুৰাই ৰাখিছে। তেতিয়া তেওঁলোক দেখে যে তালাক দিয়া বিচাৰালয় বিলাকে ক্ৰমান্বয়ে পৰিয়ালক খণ্ড বিখণ্ড কৰি নিতে নতুন বান্ধোনত বান্ধ খাবলৈ স্বাধীনতা দিছে, মাইকী বাপেকীৰ ক্ষমতা আৰু উপযোগী উদাহৰণ নোহোৱা কিছুমান নৱ নতুন আশ্ৰয়ালয়ত সিহঁতৰ সন্তান-সন্ততিবোৰ ঘূৰি পাক ফুৰিব লগাত পৰিছে তেতিয়া তেওঁলোক হতাশ হৈ কৰযোৰে ৰৈ থাকে। কি ধৰণে এই অৱস্থাক সহায়তা কৰিব লাগে তাক তেওঁলোকে নাজানে গতিকেই অনিবাৰ্য্যতাত (হব লগাটো হবই ইত্যাদি মতত) আত্মসমৰ্পন কৰে। তেওঁলোক আগবাঢ়ি নগৈ কিবা একৰ আগমনিৰ কাৰণে অপেক্ষা কৰি উটি উটি গৈ থাকে।

বলী আৰু সাহসিক আত্মাই ঘোষণা কৰি কৈছে যে জীৱন জীৱনৰে শেষ। যি ভীৰু জীয়াই থাকিবলৈ ভয় খায় সিহঁতক পুতৌ কৰা উচিত, কাৰণ সিহঁতে জীৱনৰ উত্তেজনা আৰু আনন্দ হেৰুৱাই জীৱনক মুকলি চকুৰে নাচায় এদতীয়া জীৱন নিৰ্ব্বাহ কৰাতেই সিহঁতৰ সন্তোষ— কাৰণ আনন্দময়া জীৱন এক বীৰোচিত পাপ"। জীৱনৰ বাবে ৰিপুৰেই ৰিপুৰ নিগ্ৰহ কৰা। নিৰপৰাধী শাৰিৰীক আনন্দ আত্মাৰ অপবিত্ৰতা নহয়। যাৰ লগত আমাৰ নৈতিক বৈবাহিক সম্বন্ধ আৰু আধ্যাত্মিক মিল আছে তাৰ লগত শাৰীৰিক বোধগম্য হোৱাত দোষ নাই।

মানুহে কিছুমান বস্তুক ভাল কিছুমানক বেয়া বুলি ধৰি লব পাৰে, কিন্তু পৃথিৱীয়ে সকলো বস্তুকে উৎকৃষ্ট বুলি ধৰি লয়। সিইতে এক প্ৰাকৃতিক নাস্তিকবাদৰ স্বভাৱলৈ সন্তোষ লাভ কৰে, যে যান্ত্ৰিক শক্তিয়ে অস্থায়ী হিচাবে মিলিত হৈ এক মনত লগা মানৱ আকৃতি গঠন কৰিছে, এদিন সিবিলাকে যি পাৰ্থ্যকতা লৈ মিলিত হৈছিল সেই পাৰ্থ্যকতা লৈয়েই নিজে নিজে আঁতৰি যাব; যেহেতু সুবিধা আৰু ওলাই আছে তাক খামুচি ধৰাই ভাল। যদি আমি সম্পূৰ্ণ সুন্দৰ আৰু নিৰ্ভীক জীৱন যাপন কৰিব লাগে তেন্তে মৃত্যুয়ে লৈ যোৱা আগতেই জীৱন মদিৰা হেপাহ পলুৱাই পান কৰি লব লাগিব। এই শ্ৰেণীৰ লোক এনেই, ই কোনো লোকৰ ক্ষুধা আচ-ৰণৰ এক ভাল স্বভাৱ বা চৰিত্ৰৰ বাহিৰে বিশেষ একো নহয়। জোৰ কৰি খাব বখা বা গোপনীয় কৰাৰো প্ৰয়োজন নাই। জীৱন এক সাহৰ কাৰ্য্যৰ সমষ্টি (adventure) আৰু শক্তি খটুৱাটোৱেই একমাত্ৰ উৎকৃষ্ট কাম। যি লোকে চলি অহা ধৰ্ম্ম নিষ্ঠাতে ধৰি থাকে তেওঁলোক নিস্তেজ বা দুৰ্ব্বল হৈ যায় আৰু অন্যান্য ৰীতিমতে চলা জনসাধাৰণে নিজৰ স্বভাৱে নোকোৱা বা উত্তেজনাতে হাৰ মানে। উদ্ধত ব্যক্তিগত বাদী (rampant individualists) সমৰ্থনকাৰী সকলে তেওঁলোকৰ অভিলাষ অকণমান তেৰাবেঁকা হলেই বৰ অধীৰ হৈ পৰে আৰু তেওঁ-লোকৰ জীৱনৰ উন্মুক্ত গতিত বাধা দিয়া যেই সেই দাবিতে অগ্নিশৰ্ম্মা হৈ পৰে। তেওঁলোকে নৈতিক প্ৰতিবোধৰ পুৰাতনীয়া ফাঁকি বা প্ৰতাৰণা আৰু ধৰ্মকো কুসংস্কাৰ বুলি ত্যাগ কৰে, কিন্তু পৰস্ত্ৰী গমণ (adultery) কেৱল অন্তঃস্বাধীনতাৰ বাহ্যিক বিহীনতা বুলি ভাবে। নিগাজী অনুস্থান সমূহে জীৱনৰ শক্তিশালী শত্ৰু হৈ পৰিছে আৰু সেই কাৰণেই আমি উৎকৃষ্ট সামাজিক শৃঙ্খলা তৈয়াৰ কৰা আগতেই সেই বিলাকক ধ্বংস কৰি পেলাব লাগিব।

---

# কল্পনা

অধ্যাপক শ্ৰীবটুকৃষ্ণ ঘোষ এম, এ, (ডবল)

"কবিৰ কল্পনা" কথাটোৰ অৰ্থ এটা 'মিছা বস্তু' বুলি ধাৰণা কৰা হয়। কিন্তু বাস্তৱতে এই কল্পনা কি এটা মিছা বস্তু? ই যদি সঁচা নহয়, তেনেহলে দয়া, মায়া, প্ৰেম সকলোৱেইতো মিছা বস্তু হৈ পৰে, কিয়নো ইবোৰৰও কোনো বাহ্যিক আকাৰ নাই আৰু যদি কোনো মানুহে সন্দেহ কৰে তাক বুজাবলৈ টান হৈ পৰে। কবিয়ে বাস্তৱ জগতৰ কথা নকয়, ই বৰ সঁচা কথা। কবিয়ে মানৱ মনোৰাজ্যৰ কথা কয়। আকাশ এটা পাৰ্থিৱ বস্তু হব পাৰে, নহবও পাৰে, কিন্তু ই মানৱ মনক কেনেকৈ আন্দোলিত কৰি তোলে সেইটো কবিৰ আলোচ্য বিষয়। বিজ্ঞানে আজি যাক সত্য বুলি মানি লৈছে, জ্ঞানৰ সীমা বাঢ়ি যোৱাৰ লগে লগে সিটো অদূৰ ভৱিষ্যতত মিছা বুলি নিৰ্ণীত হব পাৰে। কিন্তু মানৱ মনে যি দৰে ভাবি থাকে সিটো চিৰকাল একেই থাকিব। মানৱ মনৰ ওপৰত তাৰ প্ৰভাৱ নিতৌ সমান দৰেই থাকিব। জোন এটা উপগ্ৰহ হব পাৰে, এটা ধূসৰ মৰুক্ষেত্ৰময় জীৱহীন নৈসৰ্গিক গোলোক হব পাৰে আৰু তাৰ বিজৰ পোহৰ নাথাকিব পাৰে,



কিন্তু সি যি সৌন্দৰ্য্য জগতত প্ৰতিষ্ঠিত হৈ আছে তাৰ পৰা বিজ্ঞানে তাক বিচ্যুত কৰিব নোৱাৰে। বিজ্ঞানে হিমালয়ৰ উত্তুঙ্গশৃঙ্গ অতিক্ৰম কৰি দেখুৱাব পাৰে য'ত কৈলাসও নাই, শিৱও নাই, কিন্তু তাৰ তুষাৰ ধৱল শৃঙ্গত যেতিয়া ঊষাৰ সমাগমে শতমুখী ৰশ্মিজাল বিস্তাৰ কৰিবলৈ ধৰে, তেতিয়া তাক দেৱতা বিলাকৰ পাৰিজাত শোভিত অমৃত সনা নন্দন কানন বুলি ভ্ৰান্তিত মাৰ যাবপৰা নহয় এনে মানুহ কোন আছে? ৰাতি ইয়াৰ শান্তিপূৰ্ণ ৰূপালি দৃশ্য চাই কোনে তবধ নামানিব আৰু নাভাবিব যে এজন সিদ্ধ যোগী পুৰুষ ধ্যানাসনত ধিয়ান মগন হৈ আছে? হিমালয়ে মানৱ মনৰাজ্যত যি স্থান অধিকাৰ কৰি আছে তাৰ প্ৰকৃতৰূপ উদ্ঘাটনেই কবিতাৰ বিষয়। মানৱ-মন এটা অনন্ত অপৰিমেয় বস্তু, যাৰ সম্বন্ধ গোটেই অনন্ত অনিত্যৰ লগত! অনন্ত কালৰ পৰা এই মন বিৰাজ কৰি আছে, যুগ যুগ ধৰি মানৱ জীৱন সোঁতত ভাহি আহিয়েই আছে। অনন্ত কালৰ অভিজ্ঞতা তাৰ মাজত সুপ্তভাৱে নিহিত আছে। আৰু অনন্তকালৰ পিনে উন্মুখভাৱে চাই আছে। সেয়েহে সকলো পাৰ্থিৱ বস্তুৰ সেই অনন্তবিশ্ব প্ৰাণৰ লগত কি সম্বন্ধ সেই সত্যটো ৰূপায়িত কৰা মানৱ মনৰ সাধনা আৰু তাতেই কবিতাৰ উৎপত্তি। যাক আমি কল্পনা বুলি কওঁ সি তো সেই বিশ্বৰ চিৰবিবৰ্ত্তমান ৰূপৰ ভিতৰতে যি নিত্য অনন্ত ৰূপ প্ৰফুল্ল আছে তাৰ লগত মানৱ যোগ সাধনাৰ অভিব্যক্তি। বাস্তৱৰ পৰিবৰ্ত্তন-শীল ৰূপৰ ভিতৰতে যি চিৰন্তন সত্য নিহিত আছে সিখিনিৰ উদ্ঘাটনেই ই কল্পনাৰ কাৰ্য্য।

তাৰ পাছত এই কল্পনা যে অসত্য বা মিছাৰ ওপৰত প্ৰতিষ্ঠিত নহয় তাৰ প্ৰমাণও দিব পাৰি। যি মনোৰাজ্যৰ কথালৈ কল্পনা ভোল গৈ থাকে, তাৰ ভেটিটো বাস্তৱজগতৰ অভিজ্ঞতাৰ ওপৰত। কেঁচুৱা এটাই জোনলৈ চাই ভাবিব পাৰে এটা বগা ডাঙৰ ফুল আকাশৰ মাজেদি ভাহি গৈছে, অথবা ভাবিব পাৰে তাৰ মাকৰ হাঁহিথকা মুখৰ নিচিনা এখন মুখে আকাশৰ কোনোবা শিশুৰ পিনে চাই আছে আৰু তাৰ গাটো নীলা কাপোৰেৰে ঢাকি দিছে। সি জানো ভাবিব পাৰে যে এজনী পৰীয়ে ঘূৰণীয়া আকাৰ লৈ আকাশত ঘূৰি ফুৰিছে? নহয়, সেই কথা সি ভাবিব নোৱাৰে। কিয়নো পৰীৰ বিষয়ে তাৰ ধাৰণা নাই। সি হয়তো ফুল দেখিছে অথবা মাকৰ হাঁহি-লগা মুখখনি দেখিছে। সেয়েহে তাৰ কল্পনা সেই অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠিছে। আকৌ যেতিয়া ডাঙৰ হৈ পৰীৰ গল্প পঢ়িব তেতিয়া জোনক পৰী বুলি ধাৰণা কৰিব পৰা হব। এতেকে বুজা যায় কল্পনা সম্পূৰ্ণ অসত্যৰ ওপৰত প্ৰতিষ্ঠিত নহয়, তাৰ মূলতে অভিজ্ঞতা থকা আৱশ্যক।

জীৱনৰ অভিজ্ঞতাই কল্পনাক নিয়ন্ত্ৰিত কৰে। মানুহে মানৱ জগতত অথবা বিশ্বত যি ছবি দেখে সি তাৰ হৃদয়ত নিহিত হৈ থাকে। ছবিৰ ওপৰত ছবি জাপি জাপি স্মৃতিৰ অগাধ তলত এটা অন্তৰ্মনৰ সৃষ্টি হয়! তাক কব পাৰি হৃদয়ৰ অন্তৰৰাজ্য। যেনেকৈ সাগৰৰ তলত পানীৰ সোঁতে উটাই অনা পলস আৰু বালি ধীৰে ধীৰে সঞ্চিত হয়, তেনেকৈ বহিৰ্মনৰ ভাববোৰ গতিবেগ শূন্য হৈ ধীৰ শান্ত ৰূপ ধাৰণ কৰি অন্তৰ প্ৰদেশত সঞ্চিত হবলৈ ধৰে। অৰ্থাৎ ভাবৰ আবেগ পাখিভগা হৈ পৰে আৰু নিজস্ব শান্তৰূপ ধাৰণ কৰি এটা এটাকৈ অন্তৰ্মনত গোট খাবলৈ ধৰে। তাত ভাববোৰে নিজ নিজ শান্তৰূপ পাই পৰস্পৰৰ সাদৃশ্য বিচাৰি এটা আনটোৰ লগত যুক্ত হৈ পৰে। এইদৰে অন্তৰ্মনত ভাববোৰৰ নিগূঢ় সম্বন্ধ সৃষ্টি হয়। ইয়াৰ ফলত অন্তৰ্মনৰ এটা নতুন যোগশক্তি জাগ্ৰত হয়, যি যোগশক্তিৰ দ্বাৰা বস্তুৰ তত্ত্ব নিৰূপণ কৰা

সহজসাধ্য হৈ পৰে। ইয়েই নহয় নে কবি ৱার্ডচ্-ৱাৰ্থৰ অন্তৰ্চক্ষু ?—

With an eye made quiet by the power
Of harmony and the deep
power of joy.
"We see in'to the life of things." *

এয়েই নহনে ঋষিৰ প্ৰজ্ঞালোক ? জীৱনৰ অভিজ্ঞতা সেই অন্তৰৰাজ্যত সঞ্চিত হৈ থাকে। অভিজ্ঞতাই সুগভীৰ এঙ্গাৰৰ দৰে মাজে মাজে এটা দুটা হীৰক মণি সৃষ্টি কৰি অন্তৰ্মনৰ দৃষ্টিশক্তি জ্বলাই তোলে। এই অন্তৰ চকুৰে উধাৰ জ্যোতিৰ নিচিনাকৈ বিশ্বৰ সকলো বস্তুৰ পৰা আন্ধাৰৰ ওৰণি গুচাই তাৰ কোমল মধুৰিমা চুম্বন কৰে আৰু তাৰ মৰ্ম আস্বাদন কৰে। ইয়েই কবিৰ কল্পনা এই কল্পনাৰ চকু যাৰ মুকলি হৈছে বিশ্বই তাৰ অন্তৰৰ দুৱাৰ তেওঁৰ সন্মুখত মুকলি কৰি দিছে। তেওঁ মানৱ-মনৰ নিগূঢ় ৰাজ্যৰ সোৱাদ পাইছে, সমুদ্ৰৰ তলিৰ ৰত্নপ্ৰভা দেখিছে, প্ৰকৃতিৰ বুকুৰ কথা শুনিছে, তৰাৰ জেউতিৰ উৎসৰ সন্ধান পাইছে, মানৱ আত্মাৰ ৰহস্য কথা বিচাৰি পাইছে। এই কল্পনা চকু জীৱনৰ অভিজ্ঞতাৰ কাজলেৰে উজ্জ্বল হয় বুলি আন আন মানৱৰ মনক মুগ্ধ কৰিব পৰা হয়। সেই কাৰণেই কবিৰ কল্পনা মানৱ মনৰ লগত খাপ খাবপৰা হয়। সেই কাৰণে কবিৰ ভাষাই মানৱ মনত হেন্দোলনিৰ সঞ্চাৰ কৰে, বুদ্ধিক জাগ্ৰত কৰি তোলে, হিয়াক পৰিতৃপ্ত কৰি তোলে। তেওঁলোকে ভাবে কৰিয়ে তেওঁলোকৰ প্ৰাণৰ কথা কৈছে, হৃদয়ৰ গোটেইখোৰা ৰসক গলাই নিজৰাৰ ধাৰাৰে বোৱাই দিছে। তেনেহলে ই জানো অলীক ভিত্তিহীন কল্পনা, নাইবা অন্তৰ্মনৰ গোপনচকু ?

—০—

* Translation of the English quotation ;
সেই হৃদিচকু শান্তিৰস ভৰা
আনন্দ সিক্ত, হৰা জ্যোতি-ক্ষৰা
বিশ্বমৰ্ম্মদৰ্শী আপোন পাহৰা ॥

# চুকভেকুলী

লঘু ৰচনা ]

—বেকবেঙ্কাৰ—

শৰত কালৰ দিন বিলাক হেনো বুটা তোলা দিন, গতিকে এনে হেন বুটা তোলা দিনত মন ঘৰৰ থাকিব নাপায়। মনৰ ভাবৰ বাক আঁতৰ হলেই, আজিৰ সন্ধিয়াৰ আবতৰীয়া বৰষুণ জাক কেনেকৈ আঁতৰ কৰিব ? লোৱাপাটীত পেটপেলাই বাহিৰলৈ চাই চাই পৰি থাকিব লাগিব। কাব্য বায়ুগ্ৰস্ত সকলৰ কাৰণে অৱশ্যে ই হব অৰসিক সন্ধিয়া। হাতত চিগাৰেট জ্বলি শেষ হৈ যোৱা নাই, ওচৰত নৰম হাতৰ গৰম চাহ একাপ 'ধূমায়মান' হৈ থকা নাই, বাহিৰৰ জগতখন দুৱাৰ মুখত বন্ধ হৈ গৈছে— হওঁতে অৰসিকৰ সন্ধিয়াই হয়। পিছে আনকালেও চাও,— এনে শুভ মুহূৰ্তৰ ভেকুলী-কণীৰে থুপখাই পৰি উঠা সন্ধিয়াটো. অকল জানো কাব্যৰ কাৰণেই সৃষ্টি হৈছিল ? এইটোৱে হল চুক ভেকুলীৰ সন্ধিয়া।

সককালত সিয়ে 'ভুৰ্ভুৰিয়া' নামৰ ৰহস্য এটা হৈ সন্ত্ৰাসবাদী কাৰ্য্য কলাপত লিপ্ত হৈছিল। লৰাক



সকলো পেন পেননি ঘেন ঘেননি ঠেন ঠেননি 'ঠাণ্ডা' হৈ গৈছিল 'ভুৰ্ভুৰিয়াৰ' এটি মাতত। দুৱাৰচুকৰ এই অনিমন্ত্ৰিত অতিথিৰ প্ৰতি কৌতুহলৰ সীমা নাছিল। পিছলৈ, চেপেনাৰে ধাৰ ধৰি খাইলৈ ভৰাই আলিখাৰৈ পাৰ কৰি অহা আমাৰ আছিল দিনটোৰ ভাত জলপান হজম কৰা কামাবলাকৰ এটা ; কিন্তু কি আচৰিত সন্ধিয়ালৈ আকৌ সেই ভেকুলীয়ে সৰ্ব্ব স্বত্ব সংৰক্ষিত কাৰ বহি আছোহঁ,- "ফুৰিচাক ঘৰমুৱা হৈ"। পিছলৈ ভাবিছিলো, ভেকুলীৰ দৰে সুবিধাবাদী, পৰৰ মূৰত খোৱা ভটীয়া নাৱত যোৱা দ্বিতীয় এটা প্ৰাণী মানুহৰ মাজত নোলাব। নহলেনো বাৰু তাৰ আৰু কি উদ্দেশ্য থাকিব পাৰে। বিনা ভাৰাত ঘৰ পাইছে. বিনা দৰ্মহাত লোকে চকু কাণ মাৰি সেই ঠাই সাৰি দিছে, মাছ দিছে, লোকৰ লেম চাকৰ দৌলতত মুখৰ আগত আহি পোক পকৰা ছগা পাৰছে, এলডৰাডোতো কিবা এটাৰ অভাৱ থাকবহে ! অন্ততঃ লাগ বুললে তেলখাৰণীৰ পানী তৎক্ষণাত বিচাৰি নাপাব। তেনেহলে ?

আজিৰ সন্ধিয়াটোত চুকৰ পৰা সি মোক জনাই দিলে যে মই অকলশৰীয়া নহয়। এই বহল বিশ্বৰ মাজত মোৰো আছে এজন সুখৰ দুখৰ ভাগী। তাৰ থহুলা পিঠিখন, বুদ্ধচ মুখখন, ওপৰলৈ জাপমৰা চকুহাল, আৰু অপৰূপ বহাৰ ভঙ্গীটোৱে মোৰ মনত আজি ঘৃণা বা বিতৃষ্ণাৰ সৃষ্টি নকৰিলে। এই ভেকুলীটো ভোতয়াৰ পৰাই ভাত আছে ? মানুহে ঘৰৰ চুকটো সজাৰ দিনৰ পৰা ? তেনেহলে ই মানুহৰ বহুত হাঁহি কান্দোনৰ সাক্ষী ? সাক্ষীয়েনে সমভাগীও ?

এৰা, কিজানি সমভাগীও। ঘৰত বিয়া সবাহ কিবা এখন হওকচোন. সেই দিনা দেখিব তাৰ গাতহে সাতাৰহ গোটেইটো লাগে। যিমানেই মানুহৰ উজলি-মজলি বেছি হয়, সিমানে তাৰ কোবো একাচি চাৰ হয়। চুকৰ পৰা মাজয়ালৈ, মজিয়াৰ পৰা চুকলৈ, অকাৰণ অবাৰণ চলাফুৰা তাৰহে বেছি হয়। আনকি ঘনাই ভিতৰলৈ তামোল চাহৰ খবৰ লোৱা বিলাকতকৈও ! গছকত কানোবাটোৰ পেটু ওলাইছে, ওলাওক। কোনোবাটোৰ ঠেং এখনেই কোতাৰ গেৰোৱাৰ তলত হৈ গৈছে, বৰ নোৱাৰিছে। তাৰৈ কেৰেপ কৰিলেহে ! ৰঙৰ কিল কুকলা শুকলা হৈয়েই। অথচ মানুহে এদিনো এটা চেকেণ্ড খৰচ কৰা নাই এই ভেকুলীৰ কাৰণে ভাবি। সিয়ে মানুহৰ কিমান আপোন, কিমান বিশ্বাসী লগৰীয়া ! সদায় তাক চুক ভেকুলী বুলিহে অনাদৰ আওহেলা দেখুৱাই আহিছে।

আজি মই ভেকুলীৰ বিষয়ে পূৰ্ব্বৰ মত সলনি কৰিছো। মই ভাবো ভেকুলীয়েহে প্ৰকৃত জ্ঞানী, যোগী, উদাৰ আৰু বহুপ্ৰেমিক প্ৰাণী। মানুহৰ ঘৰৰ চুকত তাৰ ক্ষুদ্ৰ গণতান্ত্ৰিক অধিকাৰ কণ যুগ যুগ ধৰি ক্ষুণ্ণ হবলৈ দিয়া নাই। গতিয়াই উলিয়াই দিছে— প্ৰতিবাদ নাই, ৰঙাচকু নাই. ওলাই গৈছে। যেতিয়াই দেখিছে গৃহস্থৰ খং মাৰ গৈছে আকৌ আহি নিজ ঠাইকণ বাচি লৈছে যেন একোৱে হোৱা নাই। সহনশীলতাৰ এই আৰ্হি যেনেকৈ বিৰল, গৃহপ্ৰেমৰ এই চানেকীও তেনেকৈ অতুলনীয় ! বাহিৰৰ জগতত কি হৈছে নহৈছে জানিবৰ প্ৰয়োজন নাই. আন্তৰ্জাতিক ৰাজনীতি, চাৰি ৰবমূৰীয়াৰ মেল, ষ্টেণ্ডাৰ্ড অৰলিভিং, চাকৰিৰ খাতিৰ, বিষয় বাব— ক্ষমতাৰ মোহৰ পৰা লোণ তেলকণ কালিয়নে অনাৰ চিন্তাৰৈলকে এই বিলাক একোৱে চুব নোৱাৰেগৈ তাৰ তাৰ ছাল খন। ভালেতো ভেকুলীৰ পিঠিত নোম নগজে ! মানুহৰ ছাল ডাঠৰ সংখ্যা আজিৰ দিনত এশ একুৰি। কত গালি শপনি, 'কনডেমনেচন', এই বিলাকে জানো লক্ষ্যবস্তুৰ ছাল ভেদ কৰিব পাৰিছে ? ভেকুলীৰ দৰে ডাঠ ছাল— কত, সেই বিলাকতে দেখোন ভেৰৰত গজা লাই শাকৰ দাৰই দৰাদৰে নোম গজিব লাগিছে। কিন্তু নগজে

ভেকুলীৰ পিঠিতহে !

বাহিৰৰ সংসাৰৰ প্ৰতি কিয় বাৰু সি ইমান বীতস্পৃহ ? নৰ্দমাৰ পাৰত বহা সতীৰ্থ সকলৰ মেল মিটিং সংঘত তাৰ কাৰণে আসন এখন নাই। 'এপাৰ্থেড' বা বগা ক'লাৰ বাচ বিচাৰ ভেকুলীৰ ৰাজ্যতো আছেনেকি ? নাইবা জাতি-বিচাৰ আছে ? জাতকুলৰ গৌৰৱহীন ই হল খহুৱা ভেকুলী। সেই কাৰণেই বা তাৰ লগত হোকা পানীৰ নিষেধ। পিচে কথাষাৰ ওলোটাও হব পাৰে। সিহঁতৰ বিৰাট সংসাৰৰ মাজলৈ গৈ বোকাপানীত পেটি লৈ ফুৰিবলৈ সি ঘিণ কৰিবও পাৰে। তাৰ উপৰি জ্ঞানী চুক ভেকুলীয়ে জানে, বাহিৰৰ সংসাৰখন প্ৰলোভনৰ ঠাই। এই প্ৰলোভনত পৰিয়েইতো সিদিনা বামুণ ভেকুলীৰ সেই ট্ৰেজেডিটো ঘটি গ'ল। চুক ভেকুলীৰ সেই এটা লাভ, ষাঁড় গৰু দেখাৰ দুৰ্ভাগ্য হোৱা নাই।

এনে বহুত বিলাক কাৰণত মই পিছৰ জন্মত চুক ভেকুলী হবলৈকে মন কৰিছো। বৰ, 'ফটচনে' দন্ত পাতিৰ বিকাশ নকৰিব চোন যি কোনো কথাতে ঢেকঢেককৈ হাস্য কৰা ভদ্ৰ মানুহৰ লক্ষণ নহয় বুলি মোৰ অতি ক্ষুদ্ৰ জ্ঞানটোৱে কয়। ভাবি চাওক, নানা জন্মৰ 'লেলাট' ভুঞ্জিহে নৰজন্ম লাভ হয়। চৌৰাশী লক্ষ্য থালৰ পানী সাঁতুৰি। তাৰ উপৰি চাওক, স্বয়ং ভগবানৰ (হিন্দুৰ) যদি মাছ কাছ হোৱাত অপমান নাছিল, মইনো বাৰু ভগবানতকৈ ডাঙৰ হবলৈ যোৱা ভাল দেখি জানো। অন্ততঃ সৌজন্য বুলি কথা এটা আছে নহয় ! গতিকে মই ভেকুলীয়ে হম। লগতে "আৰু এক কথা মই পুৰাতন কথা।" মানুহৰ লগত ভেকুলীৰ পূৰ্বজন্মৰ টান এটাও আছে, সেই কথা জনাই জানে। তেওঁ-লোকনো কোন আছিল ? দৈব শাতন ৰাজ্যত বাস কৰা আমাৰ দৰে নাগৰিকহে ? 'কৰাপচনৰ' কবাল লাগিল গাত— তাৰ ফলতে তেওঁলোক আজি ভেকুলী। আমাৰ পূৰ্ব্বপুৰুষ ভেকোৱেহে মাত্ৰ মানুহ আৰু ভেকুলীৰ মাজত আজিৰ পাৰ্থক্য আনি দিলে। নহলে আমিও পৃথিৱীত পুলি পোখা নবঢ়াই তেওঁ-লোকৰে সুখ দুখৰ ভাগী হলোহেতেন ! তেতিয়া অৱশ্যে আমাৰ অৰ্থাৎ ভেকফুলৰ জাতীয় সঙ্গীত, "ভেকোককা মোকো মিয়া" নহলহেতেন।

গতিকে. মই যেতিয়া ভেকুলী হম. মোৰ এই জন্মৰ চিনাকিও বহুত থাকিব বহুত ডোবাং বেপাৰী, কানি বেপাৰী, ভেজাল বেপাৰী, দেশনেতা, মন্ত্ৰী, গ্ৰন্থকাৰ, গ্ৰন্থ প্ৰকাশক মোৰ লগৰীয়া পাম। এৰা ! মানুহইহ চুক ভেকুলী হৈ থকাতকৈ, মুখা খুলি ভেকুলী হোৱাই ভাল। কাৰণ মানুহে মানুহ হৈ থাকিবলৈ টান পায় কাৰণে সদায় দেৱতা হবলৈ কামনা কৰে। টেঙৰ মানুহে জানে, দেৱতা হোৱা সহজ, মানুহ হৈ থকাহে টান। মই সেইহে 'চৰ্টকাট' দিছো— দেৱতা হব খুজিলে আগতে ভেকুলী হৈ লোৱা। একো 'পেৰাডক্স' কৰা নাই, পৰ্ব্বতৰ টিং বগাবলৈ হ'লে 'ফুৰা আগে তলত বঙৰে' দৰেই সহজ কথা। ভদ্ৰলোক হৈ ভদ্ৰলোকৰ ঘৰলৈ গ'লে তেওঁৰ স্থান হ'ব ড্ৰইংৰুমত। লগুৱা বা ৰান্ধনি হৈ গ'লে একা ? তেনেহলে ? তেনেকুৱাই কথা। ভেকুলীৰ দেৱতাৰ ৰাজ্যত প্ৰবেশাধিকাৰ আছে বুলি টেঙৰ আৰ্য্য সকলে জানিছিল। সেই গুণেহে বেদত 'ভেকস্তোত্ৰ' আছে। ভেকুলীৰ দৰে সাজ পিন্ধি বৰুণ দেৱতাক প্ৰাৰ্থনা কৰাৰ ব্যৱস্থা তেওঁলোকে কৰিছিল। মইনো কিয় ভেকুলী হব খুজিছো, এতিয়া নোমটেঙৰ নোম টেঙৰী দুই এজনে ধৰিব পাৰিছেগৈনে ? ক'ৰ দেৱতাৰ কাষ চপাৰ কাৰণে ভেকুলী হ'ম ! সেইবিলাক ফাংফুং কথা। দেৱতাৰ ভৰিত ভেলটেঙা ষঁহি অমৃতৰ ভাগলৈ অমৰ হ'ম— সেইবিলাক কল্পনা সোমশৰ্ম্মাৰ বাপেকে কৰি থাওক। কবিয়ে কি কৈ গৈছে তেওঁলোকে হয়তো নাজানে যে—



"অমৃতক বাঞ্চে যেন চুকৰ ভেকুলী।"

আচল ৰহস্যটো লুকাই আছে ভেকুলীৰ জীৱনৰ এক বিৰাট ৰোমান্সত। এই ৰোমান্সেই এই জীৱনটো মোৰ কাৰণে ইমান লোভনীয় কৰি তুলিছে। ভেকুলীৰ বিয়াখনৰ দৰে ৰোমান্স আৰু 'স্থাৱৰ জঙ্গম কীট পতঙ্গম'— উৰণ, বুৰণ, গজন, ভ্ৰমণ এই চাৰিমুঠি জীৱৰ কাৰবাৰ ভাগ্যত ঘটিছেনে বাৰু ? কোনোবাই ঘটিছে বুলি কোৱা কথাষাৰ মই শলাগি হে থম, বিশ্বাস হলে নকৰো। কাৰ ভাগ্যত এনেকি, পানত লগোৱা চূণকণো নিজে খৰচ নকৰাকৈ কন্যাৰত্ন লাভ হৈছে বাৰু ? ভেকুলীক জোঁৱাই পাতিলে কাৰোবাৰ ক্ষমতা আছে কাৰণে ওখচৰকাৰী বাব দিয়াবৰ আৱশ্যক নাই, বা কাৰোবাৰ ধন আছে কাৰণে বিলাতলৈ পঠোৱাৰ লোভৰ টামচিং ৰৰশীত বাঁহটোপ লগোৱাৰ কৌশল আয়ত্ত কৰি ঘৰ্মাক্ত হ'বৰো প্ৰয়োজন নাই— নাইবা ক্ষমতা আৰু ধনৰ এটাও নথকা সকলৰ ক্ষেত্ৰত ভেকুলীক ঘনাই চাহ জলপান ভাতৰ নিমন্ত্ৰণ দি জীয়েকৰ গান শুনোৱা এমব্ৰইডাৰিৰ প্ৰশংসা কৰোৱাৰ আয়োজন কৰাৰো আৱশ্যক নাই। আনহাতে ভেকুলীৰো সংসাৰ পোহা, কচমেটিকৰ যোগান ধৰা, লাহে লাহে "দুধদানী বো large scale আমদানিৰ মুৰ কামোৰণী নাই। এদিন হঠাৎ পদূলী মুখত ৰাতিপুৱা শুই উঠি হঠাৎ শুনিলে ঢোল, খোল, পেঁপা কালিৰ ধিন্দো খিটটো আৰু টিহি টিহি সুৰ ! নাইবা বেণ্ডপাৰ্টিৰ "তেৰে বিনা ছলিয়াৰে বাজেনা মুৰলীয়াৰে" সুৰৰ কনচাৰ্ট ! কি কথা ! কি বতৰা !! নিমন্ত্ৰণী চিঠি খন চাওকচোন। "শ্ৰীমান ভেকুলী বোপাৰ বিয়া— অমুক গাঁৱৰ মিচ দাদুৰীৰ লগত"। ভেকুলীৰ এই ভাগ্য খনক ইৰ্ষা কৰিব আমাৰ পানীৰামৰ পৰা তাৰ মহাজন বৰুৱালৈকে ! কওকচোন তেনেহলে এই ভাগ্য দেৱতাৰ জীৱনতো ঘটিছিল নে ? মহাদেৱৰ কথা বেলেগ দিয়কচোন ! দেৱতাৰ উদ্দেশ্য আছিল ব'ৰাগী মহাদেৱক ঘৰপাতি সংসাৰী কৰা নহয়; দেৱসেনাপতি এজন লাভ কৰাহে। আমাৰ সেইবিলাক জুলোমো নাই. এজাক বৰষুণে কিনকিনালেই 'কিস্তি মাৎ'। নহলেও নাই, তাৰবাবে ভেকুলীৰ ছালত ফৰফৰণি নুঠে।

এই বিলাক সাহোসাহ কথা গুনিগাঁঠি লৈহে ভেকুলী জন্মৰ কাৰণে মোৰ এই লোভ। পিছে ভেকুলী হ'মহে— এটা কিন্তু চৰ্ত্তও আছে : মই অসমীয়া ভেকুলী হ'ম আৰু ধৰ্ম্ম হ'ব লাগিব হিন্দু। কবিয়ে যদি অসমৰ ধূলিকণাও হ'বলৈ হাবিয়াস কৰিব পাৰে, অকবিয়ে ভেকুলী হবলৈও হাবিয়াস কৰিব নোৱাৰিবনে ? 'হিন্দু' হ'বলৈ যোৱাতযে সাম্প্ৰদায়িকতা দেখুৱাবলৈ যোৱা নাই বেলেগে নকলেও হ'ব। কিন্তু মাদ্ৰাজ নে ইউ, পি, মুঠতে সেই ফালে হিন্দু ভেকুলী হ'লেও মোৰ ভেক তনু লাভ বিফলেহি যাব। কিয়নো বিয়াখন হওঁতে হ'ব বাৰু, পিছে বাইচান্স যদি বৰষুণৰ নামে টোপ এটাও নপৰিল ? 'চিংচিঙ'ত বহিব লাগিব ৰোজেনবাৰ্গ দম্পতীৰ দৰে ! অৱশ্যে অমুকাই কি মৰিবলৈ কেয়াৰ কৰা মানুহ ! আচল কথা মই অসমক ভাল পাওঁ কাৰণেই অমীয়া ভেকুলী হব খোজো। আজিকালি দেশপ্ৰেমটো 'প্ৰফেছন' কৰি লোৱা যুগত মোৰ আন্তৰিকতাক বিশ্বাস কৰা লোকৰ সংখ্যা কম সেইটোও মই জানো। তথাপি লাখৰ ভিতৰত এজন ওলাব যি ভাবিব এবাৰলৈ হলেও— যে সেই বেচেৰা হ'পলেচটোৱে নিজক অসমীয়া বুলি "নাদৰ ভেকুলী যেন নিজক কৰিলো মাথোঁ অকলশৰীয়া" বুলি নাভাবিছিল।

—:০:—

# আৰ্য্য যোগানন্দৰ চিঠি

## (৩)

মৎস্য কূৰ্ম্ম নৰসিংহ বামন পৰশুৰাম
হলিৰাম বৰাহ শ্ৰীৰাম।
বুদ্ধ কল্কি নামে দশ আকৃতি ধৰিছা কৃষ্ণ
তযু পাৱে কৰোহো প্ৰণাম॥ (৩)

হে কৃষ্ণ! তুমি মৎস্য, কূৰ্ম্ম, নৰসিংহ, বামন, পৰশুৰাম, হলিৰাম, বৰাহ, শ্ৰীৰাম, বুদ্ধ, কল্কি নামেৰে দহ অৱতাৰ ধাৰণ কৰিছা। তোমাৰ চৰণত আমি নমস্কাৰ কৰোঁ।

বাহিৰ জগতত মানৱ জাতিৰ অন্যায় অত্যাচাৰ, দুৰ্গতি দুৰ্নীতি দূৰ কৰিবৰ কাৰণে ভগৱন্তই মৎস্য, কূৰ্ম্ম, আদি নামেৰে অৱতাৰ হৈ জগতত শান্তি স্থাপন কৰি থৈ যায়। এই অৱতাৰবোৰ হাজাৰ হাজাৰ বছৰৰ মূৰে মূৰে হয়। সেই কাৰণে এজন মানুহৰ আয়ুষে সকলো বাহ্যিক অৱতাৰ চুকি নেপায়। কেতিয়াবা কোনো ভাগ্যৱানে এটি অৱতাৰ দেখিব পাৰে।

কিন্তু একান্ত সাধক সকলৰ হৃদয়ত দশ অৱতাৰৰ কথাই নাই চৌবিছ অৱতাৰেই প্ৰকাশিত হৈ সাধকক সাধনা পথৰ অশেষ বিঘিনিৰ পৰা উদ্ধাৰ কৰি অন্তৰ্জ্জগতত শান্তি স্থাপন কৰি জীৱক মুক্ত কৰে।

একান্ত ভক্তসকলে ভালকৈ জানে যে ভক্তি পন্থত ভক্তই ঈশ্বৰ চৰণত মনপ্ৰাণ লগাবলৈ যাওঁতে মনত উৎপন্ন হোৱা অশেষ বাধা বিঘিনি অতিক্ৰম কৰিবলৈ ভগৱন্তৰ ওচৰত অন্তৰ খুলি কাতৰ নিবেদন কৰিব লগা হয় কাকুঁতি যোৱা ভাৱে নমুনা।

সেই প্ৰাৰ্থনাত ভগৱন্ত সন্তুষ্ট হলেহে ভক্তই দুষ্ট ভাৱৰ গ্ৰাসৰ পৰা মুক্ত হব পাৰে। ভক্তক দুষ্ট ভাৱৰ পৰা মুক্ত কৰিবৰ সময়ত ভগৱন্তই ভক্তৰ অন্তৰত যি যি জ্যোতিৰ্ম্ময় মুৰ্ত্তি প্ৰকাশ কৰে সেই বিলাকেই ভগৱন্তৰ একো একোটি অৱতাৰ।

এই অৱতাৰ দহোটি বা চৌবিছটি ধৰা হয়। দশ ইন্দ্ৰিয় জনিত দহোটি দুষ্ট ভাবৰ পৰা ভক্তক উদ্ধাৰ কৰিবলৈ ভগৱন্তৰ দশ অৱতাৰ আৰু চতুৰ্ব্বিংশতি তত্ত্ব জনিত চৌবিছটি দুষ্ট ভাবৰ পৰা ৰক্ষা কৰিবলৈ ভগৱন্তৰ চৌবিছ অৱতাৰ।

ভগৱন্তই শক্তি দিলে অৱতাৰ তত্ত্ব সম্বন্ধে সুকীয়াকৈ আলোচনা কৰিবৰ ইচ্ছা আছে। সম্প্ৰতি আভাষ মাত্ৰ উল্লেখ কৰা হল।
বামন:— বাম— দুৰ্গতি। ন— ছেদন কৰা। ভোগ লালসাই জীৱৰ দুৰ্গতি। এই লালসাই জীৱক সংসাৰ চক্ৰত ঘুৰাই অশেষ নিকাৰ ভোগ কৰায়। ইয়াৰ পৰা জীৱক ৰক্ষা কৰিবলৈ ভক্তৰ অন্তৰত ভগৱন্তই যি ৰূপেৰে প্ৰকাশ দিয়ে সেয়ে বামন অৱতাৰ।
বলি:— ভোগ লালসা।
বামন অৱতাৰত ভগৱন্তই ভোগদৰ্প চূৰ্ণ কৰি বলিক ত্যাগ শিক্ষা দিছিল আৰু ত্যাগৰ মহিমা মানৱ সমাজত প্ৰচাৰ কৰি শান্তি স্থাপন কৰিছিল।



সেইদৰেই ভক্তৰ অন্তৰৰ পৰাও ভগৱন্তই ভোগ লালসা দূৰ কৰি ত্যাগৰ শান্তি স্থাপন কৰে। এই সময়ত ভক্তই নিজ অন্তৰত জ্যোতিৰ্ম্ময় বামন মুৰ্ত্তি দৰ্শন কৰে। মানুহৰ সমষ্টিয়েই সমাজ। প্ৰত্যেক মানুহৰ অন্তৰ ত্যাগ ভাবেৰে পূৰ্ণ হলেহে সমাজো ত্যাগী হব পাৰে।
মৎস্য:— প্ৰাণ শক্তি। দিব্যযজ্ঞ— সৎকৰ্ম্ম।
বুদ্ধ— জ্ঞানজ্যোতি।
কল্কি— সমস্ত দুষ্ট ভাব নাশ কৰিব পৰা শক্তি।
কলি— ঘোৰ অজ্ঞান অৱস্থা। (কলিঃ শয়ানো ভৱতি)

—•—

একান্ত ভকত সবে নিৰ্গুণ কৃষ্ণৰ গুণ
গাৱে সদা বসিয়া যথাত।
বৈকুণ্ঠকো পৰিহৰি যোগীৰো হৃদয় এৰি
থাকা হৰি সাক্ষাতে তথাত॥ (৪)

একান্ত ভকত সকলে যি ঠাইত বহি সদায় নিৰ্গুণ কৃষ্ণৰ গুণ গায় সেই ঠাইত হৰি সকলোৰে সাক্ষাৎ হয়। যি ঠাইত ভগৱন্তৰ গুণ নাম কীৰ্ত্তন কৰা নহয় সেই ঠাই বৈকুণ্ঠ বা অতি পবিত্ৰ হলেও তাত তেওঁ প্ৰকাশ নহয়। আন কি নাম উচ্চাৰণ নকৰিলে যোগীৰ হৃদয়তো ভগৱন্ত প্ৰকাশ নহয়। যেনেকৈ প্ৰত্যেক দিয়া-চলাইতে গুপ্ত ভাবে জুই থাকিলেও ঘৰ্ষণ নহলে জুই প্ৰকাশ নহয়, সেই দৰেই গুণ কীৰ্ত্তন নোহোৱা ঠাইত ভগৱন্ত প্ৰকাশ নহয়।
নিৰ্গুণ:— ঈশ্বৰে সত্ত্ব, ৰজ, তম, এই তিনিগুণ সৃষ্টি কৰি সিহঁতৰ হতুৱাই জগতৰ সৃষ্টি স্থিতি প্ৰলয় কাৰ্য্য সাধন কৰাইছে। অথচ নিজে এই তিনি গুণৰ বাহিৰত আছে। সেই কাৰণে তেওঁক নিৰ্গুণ বোলা হয়। ইফালে নানা উপায়েৰে জীৱ জগতৰ গুণ বা কল্যাণ সাধন কৰাৰ কাৰণে ভক্ত সকলে তেওঁক নানা গুণ বা উপাধিৰে ভূষিত নানা নাম দি উপাসা কৰে। যেনে:— গোপাল:— গো অৰ্থ চকু কাণ নাক আদি ইন্দ্ৰিয়বোৰ; পাল অৰ্থ পালন কৰা। যি জনে মানুহৰ অন্তৰত থাকি ইন্দ্ৰিয় বিলাকক কাম কৰিবলৈ শক্তি দিছে তেৱেঁই গোপাল। এতেকে "গোপাল" এই নাম উচ্চাৰণ কৰাৰ লগে লগে ইন্দ্ৰিয় পালক পৰমেশ্বৰৰ প্ৰতি আমাৰ মন কৃতজ্ঞতাৰে পৰিপূৰ্ণ হৈ পৰিব লাগে। তেতিয়া আচলতে নিৰ্গুণ কৃষ্ণৰ গুণ গোৱা বা উপকাৰ স্বীকাৰ কৰা হয়।

বৈকুণ্ঠ:— যত মানৱ অন্তৰৰ দুষ্ট বৃত্তিবোৰ কুণ্ঠিত হয় বা কোচ খায় সেই ঠাইৰ নাম বৈকুণ্ঠ। ঈশ্বৰৰ ওচৰ পালে দুষ্টভাবৰোৰ নিস্তেজ হয়। সেই কাৰণে ঈশ্বৰকো বৈকুণ্ঠ বোলা হয়।

ভকত:—যি জনে যিটোক অন্তৰে সৈতে এৰিব নোৱাৰাকৈ ভাল পায় তেওঁ তাৰেই ভকত। যেনে:—কানীয়া কানিৰ ভকত, ভঙুৱা— ভাঙৰ ভকত, মদপী মদৰ ভকত, ঈশ্বৰৰ গুণ গৰিমাত যি জন মুগ্ধ তেওঁ ঈশ্বৰৰ ভক্ত।

ভঙুৱাই ভাঙৰ আৰু কানীয়াই কানিৰ খেতিৰ মঙ্গল কামনা প্ৰাণপণে কৰে। সেইদৰে ঈশ্বৰ ভক্তয়ো ঈশ্বৰৰ প্ৰিয় কাৰ্য্য সাধন কৰিবলৈ প্ৰাণপণে যত্ন কৰে। কি কাৰ্য্য কিৰূপে কৰিলে ঈশ্বৰ সন্তুষ্ট হয় তাক জ্ঞানী সকলে পুথিৰ পাতে পাতে লিখি থৈ গৈছে। সেই লিখাবোৰ চাই লৈ অথবা কোনো একান্ত ভক্তৰ পৰা বুজি লৈ সেই দিহাৰে একান্ত মনেৰে কাম কৰি গলেই

ভক্ত বা ঈশ্বৰৰ প্ৰিয় পাত্ৰ হব পাৰি। তাকে তাকে নকৰি অন্তৰত কু-ভাৱৰ বোজা লৈ ওঠেৰে ৰাম ৰাম কৰিলে কৰাই ভক্তি কৰা হয়। এনে ভক্তিত ঈশ্বৰ সন্তুষ্ট নহয়। ( বুদ্ধিক সম্বন্ধ কৰিয়া আপোন আত্মাক দেখে )

যোগী :— যি জনে অন্তৰত ঈশ্বৰৰ ৰূপ দৰ্শনৰ চেষ্টা কৰে তেওঁকেই যোগী বোলা হয়। তেওঁলোকেও ঈশ্বৰৰ নাম নকৰিলে ভগৱন্তৰ ৰূপ লীলা দৰ্শন কৰিবলৈ নেপায়। সেই কাৰণে ভগৱন্তৰ নাম গুণ উচ্চাৰণ নহলে যোগীৰ হৃদয়তো তেওঁ প্ৰকাশ নহয় বুলি পদত লিখা হৈছে।

একান্ত ভকত :- যি জনৰ মন প্ৰাণ ঈশ্বৰৰ গুণ গৰিমা কীৰ্ত্তনৰ বাহিৰে আন ভাবত নেথাকে তেৱেঁই একান্ত ভকত।

পৰিহৰি অৰ্থ পৰিহাৰ কৰি বা এৰি থৈ আহি এনে অৰ্থ হয়।

কিন্তু পদত—পৰিহাৰ কৰি অৰ্থ প্ৰকাশ নহৈ এনে অৰ্থ কৰা হৈছে।

প্ৰকাশ হবলৈ হলে আন চাওঁতা থাকিব লাগিব। যত চাওঁতা বা গুণ লওঁতা নেথাকে তাত প্ৰকাশো নহয় অৰ্থাৎ কাৰো চকুত নপৰে।

যিদিনা মানুহে মহাত্মা গান্ধীৰ গুণ-গৰিমা কৰলৈ এৰিব বা পাহৰি যাব সেইদিনাৰ পৰাই তেখেতৰ নাম গুণ হুমাই যাব বা অপ্ৰকাশিত হব। সেইদৰে ভক্ত সকলে কৈ মেলি থকাৰ কাৰণেহে ভগৱন্তৰ গুণ মানুহে জানিছে। কওঁতা নহলে মানুহৰ চকুত নপৰা হব।

—০—

# সাধক দাৰা চেকোহ

আলোচনা ]

মৌঃ হবিবুৰ ৰহমান, এম, এ

মোগল সম্ৰাট চাহজাহানৰ জ্যেষ্ঠ পুত্ৰ, মোগল সাম্ৰাজ্যৰ ভাবী উত্তৰাধিকাৰী ৰাজকুমাৰ দাৰা চেকোহৰ পৰিচয় পৃথিবীৰ ইতিহাসত হয়তো খুবেই কম। কিন্তু যি আদৰ্শৰ কাৰণে আজীৱন এই নীৰৱ সাধকজনে সংগ্ৰাম কৰিলে আৰু যি আদৰ্শই পিছত গৈ তেওঁৰ মৃত্যুৰ কাৰণ হৈ পৰিছিল সেই আদৰ্শৰ কাৰণেই দাৰা আজি জাতি-বৰ্ণ-নিৰ্ব্বিশেষে সকলোৰে শ্ৰদ্ধাভাজন। দাৰা আছিল হিন্দু-মুছলিম সংস্কৃতিৰ সমন্বয়ৰ অগ্ৰণী। হিন্দু চিন্তা আৰু ইছলামীয় চিন্তাৰ মাজত ঐক্য আৰু সমন্বয় ঘটোৱাই আছিল— তেওঁৰ জীৱনৰ ব্ৰত। আওৰংজেবৰ দৰে চতুৰ ৰাজনীতিজ্ঞ হয়তো নহব পাৰে কিন্তু দাৰাৰ এই আদৰ্শ আৰু মহানুভৱতাই গোড়া আওৰংজেবৰ চৰিত্ৰ ম্লান কৰি তুলিছে। দুজন ভ্ৰাতৃৰ মাজত এনে বিৰুদ্ধধৰ্ম্মী মনোভাৱ সঁচাকৈয়ে লক্ষণীয় বিষয়।

দাৰাৰ আগতে এনে এজন ক্ষণজন্মা পুৰুষে এই দুই জাতিৰ সমন্বয়ৰ অৰ্থে চেষ্টা কৰিছিল। তেওঁ আছিল মহামতি আকবৰ। তেওঁ অকল ভাৰতৰেই হিন্দু-মুছলমানৰ মিলন বিছৰা নাছিল। তেওঁ বিচাৰিছিল গোটেই জগতৰেই মৈত্ৰী। গোটেই জগতকেই এক ধৰ্ম্মৰ তলত আনিবলৈ তেওঁ সৰ্ব-ধৰ্ম্ম-সমন্বয়ৰ চেষ্টা কৰিছিল আৰু তেওঁৰ দীন-ই-ইলাহী' বা ব্ৰাহ্মধৰ্ম্ম তেওঁৰ সূক্ষ্ম বিচাৰ বুদ্ধি আৰু অশেষ গৱেষণাৰ ফল। ইয়াৰ আগেয়ে কোনো দাৰ্শনিক বা চিন্তাশীল লোকৰ মনত এনে এক বিশ্ব ধৰ্ম্ম সমন্বয়ৰ কল্পনা দেখা দিয়া নাছিল। কিন্তু দুখৰ বিষয় আকবৰৰ এই উদাৰ ধৰ্ম্মমত তথাকথিত মানব সমাজে গ্ৰহণ কৰিব নোৱাৰিলে। তাৰ কাৰণ, তেওঁৰ আদৰ্শ সেই যুগৰ প্ৰচলিত ভাৱ ধাৰাৰ বহুত ওপৰত আছিল। আকবৰৰ পিছত তেওঁৰ পুত্ৰ সকলে এই ধৰ্ম্মৰ মৰ্যাদা ৰাখিব নোৱাৰিলে। কিন্তু তেওঁৰ বংশতেই জন্ম হল তেওঁৰ প্ৰপৌত্ৰ মোগল সম্ৰাট চাহজাহানৰ জ্যেষ্ঠ পুত্ৰ দাৰা চেকোহ

ডেকা বয়সতেই তেওঁ পৰমাৰ্থিক মোহত আকৃষ্ট হয়। আৰু দেশৰ বিভিন্ন সম্প্ৰদায়ৰ ধৰ্ম্মালোচনাত নিজকে এৰি দিয়ে। ভাৰতৰ ভাবী সম্ৰাট বাদচাহ চাহজাহানৰ উত্তৰাধিকাৰী দাৰা চেকোহৰ এনে তপস্বী মনোভাৱ ৰাজমহলত অনুমোদন লাভ কৰা নাছিল। তেওঁ এই দুৰ্ব্বলতাৰ সুযোগ লৈয়ে চতুৰ আওৰংজেৱে দাৰাৰ বিপক্ষে জনমত গঠন কৰিবলৈ সুযোগ পাইছিল।

দাৰা এজন ভাল সাহিত্যিক আছিল। তেওঁ সংস্কৃত অধ্যয়ন কৰিছিল আৰু প্ৰায় ১৪/১৫ খন সংস্কৃত গ্ৰন্থ তেওঁ ফাৰ্চীলৈ অনুবাদ কৰিছিল। এইবোৰ প্ৰায় বেদান্ত আৰু চুফী মতবাদৰ তুলনামূলক আলোচনা। তেওঁৰ অন্তৰত ভাৰতীয় আৰু ইৰানীয় মতবাদৰ এটা সমন্বয় ঘটাছল আৰু তাকেই তেওঁ বিশ্ব মানৱৰ আগত প্ৰকাশ কৰিবলৈ বিচাৰিছিল। তেওঁ সকলো ধৰ্ম্মৰ সকলো মানুহৰ লগত মিলিছিল আৰু তেওঁলোকৰ অনুকৰণ কৰিছল। কাৰণ তেওঁ জানছিল যে সত্যৰ সন্ধানৰ পথ কেৱল এটাই নহয়। দাৰা চেকোহৰ এখন উল্লেখ যোগ্য গ্ৰন্থ "মজমুউল বাহৰাইন" অৰ্থাৎ দুই সমুদ্ৰৰ মিলন। ইয়াত প্ৰাচীন ভাৰতীয় দৰ্শন আৰু চুফী দৰ্শনৰ আলোচনা আৰু মিল দেখুওৱা হৈছে। এই কিতাপখন পঢ়িলে বুজা যায় যে দাৰা এজন প্ৰকৃত উদাৰ দৃষ্টি-ভঙ্গীৰ মানুহ আছিল। তেওঁ কিতাপখনৰ ভূমিকাত এটা শাৰী লিখাছল যে হিন্দু সাধক সকলে সুদীৰ্ঘ বছৰ আলোচনাৰ আৰু গৱেষণাৰ ফলত যি সত্যৰ সন্ধান পাইছিল তাৰ লগত তেওঁৰ ধৰ্ম্মৰ কেৱল শব্দগত আৰু ভাষাগত পাৰ্থক্যহে দেখা পাইছিল। ইয়াৰ দ্বাৰাই বুজিব পাৰি দাৰা সাম্প্ৰদায়িকতাৰ কিমান উৰ্দ্ধত। ৰাজ্যস্পৃহাতকৈ জ্ঞানস্পৃহাই তেওঁৰ জীৱনৰ ব্ৰত আছিল।

দাৰাৰ গ্ৰন্থবোৰ মনোযোগেৰে পাঠ কৰিলে বুজা যায় যে তেওঁ চুফী মতবাদৰ দ্বাৰা প্ৰভাৱান্বিত। বয়স বৃদ্ধিৰ লগে লগে তেওঁৰ বিভিন্ন ধৰ্ম্ম আলোচনা কৰিবলৈ ধৰিছিল। শেষত তেওঁ আৱিষ্কাৰ কৰিলে যে সত্যৰ সন্ধান সকলো ধৰ্ম্মতেই পোৱা যায়। ইয়াৰ পিছতো তেওঁৰ স্বাধীন চিন্তাৰ বিকাশ হয়। কিন্তু এই চিন্তাই শেষত তেওঁৰ কাল হৈ উঠে। দাৰাক ধৰ্ম্মদ্ৰোহী বুলি আওৰংজেৱে ফাঁচীৰ হুকুম দিয়ে। কিন্তু সঁচাকৈয়ে দাৰা ধৰ্ম্মদ্ৰোহী আছিল জানো? ইয়াৰ পিছত আছিল এটা ৰাজনৈতিক চাল। সু-চতুৰ আওৰংজেৱে ভালকৈ বুজিছিল যে এইপাত অস্ত্ৰই হে দাৰাক কাবু কৰাৰ উপায়। দাৰা সম্ৰাট চাহজাহানৰ অতি প্ৰিয় আছিল। গতিকে জনমত গঠন কৰাত আওৰংজেবৰ পক্ষে এইটোৱেই প্ৰকৃষ্ট উপায় আছিল। আওৰংজেৱে ইচলামৰ দোহাই দি এনে এজন উদাৰ ধৰ্ম্মপন্থী লোকক নিৰ্ম্মমভাৱে হত্যা কৰালে। আওৰংজেব সু-চতুৰ ৰাজনীতিজ্ঞ হব পাৰে কিন্তু তেওঁৰ গাত উদাৰ মনোভাৱৰ অভাৱ। দাৰা যদি উত্তৰাধিকাৰী সূত্ৰে মোগল সিংহাসনত বহিলহেঁতেন হয়তো ভাৰতৰ ইতিহাসৰ ধাৰা অন্যফালে ঢাল ললেহেঁতেন। এই ভুলৰ কাৰণে আওৰংজেব কেতিয়াও ক্ষমাৰ যোগ্য নহয়।

দাৰা আছিল সম্ৰাট চাহজাহানৰ জ্যেষ্ঠ পুত্ৰ। চাহজাহানে তেওঁক আদৰ্শ যুবৰাজ হিচাবে গঢ়ি তুলিবলৈ বিচাৰিছিল। কিন্তু জ্ঞান আৰু ধৰ্ম্মৰ প্ৰতি প্ৰবল অনুৰাগ থকাৰ কাৰণে ৰাজ-সুখ ভোগে

তেওঁক তৃপ্তি দিব নোৱাৰিলে। তেওঁ ধৰ্ম্ম-চৰ্চ্চা লৈয়েই বেচিভাগ সময় কটাইছিল। সাহিত্য চৰ্চ্চা কৰোতে হঠাৎ তেওঁ সংস্কৃত ভাষাৰ সোৱাদ পালে। তেওঁ বিভিন্ন ধৰ্ম্ম-শাস্ত্ৰ আলোচনা কৰি দেখুৱালে যে মূলতে সকলো ধৰ্ম্ম এক আৰু অভিন্ন। ধৰ্ম্মৰ উদ্দেশ্য এক। কেৱল সাধাৰণ পথ বিভিন্ন। বৈদিক যুগৰ উপনিষদ আৰু বেদান্তসাৰ তেওঁৰ বৰ প্ৰিয় পাঠ্য আছিল। তেওঁ বেদান্তক 'চিৰ-ৰে আচ্ৰাৰ্' বা ৰহস্যৰো ৰহস্য আৰু উপনিষদক 'তৰজমানে আচ্ৰাৰ' বা ৰহস্য ব্যাখ্যা নাম দি ফাৰ্চী ভাষালৈ অনুবাদ কৰে। পিছত এই অনুবাদ ইউৰোপত জাৰ্ম্মান, ফৰাচী আৰু ইংৰাজী ভাষালৈ অনুবাদ হয়। দাৰাৰ এই অনুবাদৰ অনুবাদ পঢ়িয়েই প্ৰথম ইউৰোপে উপনিষদৰ কথা জানিব পায়।

দাৰা অকল যে এজন সাধকেই আছিল এনে নহয়। তেওঁ এজন কবি আৰু চাৰু-শিল্পৰ ভক্ত আছিল। তেওঁৰ প্ৰিয় পত্নী নাদেৰা বেগমক তেওঁ যি ছবিৰ 'এলবাম' উপহাৰ দিছিল তাত নিজৰ হাতৰ বহুতো ছবি আছিল। এই ছবিবোৰৰ বিষয়ে আলোচনা কৰিবলৈ গৈ প্ৰিন্সিপেল পাৰচি ব্ৰাউন চাহাবে কৈছে "মোগলৰ শিল্পকলাৰ মানদণ্ড হিচাবে ছবিবোৰ খুব মূল্যবান। ই ৰাজকুমাৰৰ জ্ঞান আৰু ৰুচিৰ পৰিচয় দিছে।"

গদ্য ৰচনাতো দাৰা নিপুণ আছিল। সত্যৰ অপলাপ তেওঁ কেতিয়াও নকৰিছিল। তেওঁ যি সত্য বুলি ভাবিছিল সি প্ৰচলিত ৰীতি-নীতিৰ বিৰুদ্ধে হলেও দাৰাই তাক নিঃসঙ্কোচে প্ৰকাশ কৰিছিল। "মজমাউল বাহৰাইনৰ" বাহিৰেও তেওঁ আৰু কেইখনমান গ্ৰন্থ ৰচনা কৰিছিল। তলত তাৰ চমু পৰিচয় দিয়া হল।

১। চফিনাতুল আউলিয়া— ই ৪১১ জন চুফী তাত্বিকৰ জীৱনী। ২। চকিনাতুল আউলিয়া— ইয়াত তেওঁৰ প্ৰিয় শিষ্য সকলৰ চমু পৰিচয় দিয়া আছে। ৩। ৰিচালায়ে হক নামা— ইয়াত আধ্যাত্মিক সাধনাৰ বিভিন্ন স্তৰৰ বিষয়ে আলোচিত হৈছে। ৪। হাচানাতুল আৰেফিন্— ইয়াত কেইজনমান চুফী সাধকৰ মূল্যবান উপদেশ সন্নিবিষ্ট আছে। ৫। উপনিষদ— ই ফাৰ্চী অনুবাদ। ইয়াৰ ফাৰ্চী নাম "তৰজমানে আচৰাৰ্" বা ৰহস্যৰ ব্যাখ্যা। ৬। বেদান্ত—ই বেদান্তৰ ফাৰ্চী অনুবাদ। ইয়াৰ ফাৰ্চী নাম "চিৰ্-ই-আচ্ৰাৰ্" বা ৰহস্যৰো ৰহস্য।

ইয়াৰ বাহিৰেও দাৰাই বহুতো গজল আৰু ৰুবাই কবিতা লিখিছিল। ইয়াৰ সকলোবোৰেই তেওঁ সেই অতীন্দ্ৰিয় একত্ববাদৰেই প্ৰচাৰ কৰি গৈছে। দাৰা আজি হয়তো এই পৃথিৱীত নাথাকিব পাৰে কিন্তু যি আদৰ্শৰ কাৰণে আজীৱন দাৰাই সংগ্ৰাম কৰি গল সেই আদৰ্শই মানুহৰ চিন্তা ৰাজ্যত যুগে যুগে প্ৰেৰণা দি থাকিব।

—•—

## শূৰ্পনখা

শ্ৰীকিৰণ চন্দ্ৰ শৰ্ম্মা, এম, এ

তোমাৰ ৰূপত মুগ্ধ নহ'ল লক্ষ্মণ ?
বাহিৰৰ ৰূপ চায়ে বুজি ল'লে ভুল;
অন্তৰৰ ৰূপ, কিবা, অন্তৰ-প্ৰাৰ্থনা
নেদেখিলে, নুশুনিলে; লক্ষ্মণ বাতুল।
আপোন পত্নীক এৰি ঘৰত যি জনে
কটালে সুদীৰ্ঘ কাল বনৰ মাজত—
সিজনৰ অন্তৰত কিবা কোমলতা
পাবা বুলি আশা কিয় কৰিলা ভুলত ?

ভাতৃৰ চৰণ-সেৱা যাৰ মহাব্ৰত
সি কি হায় বুজি পাব নাৰীৰ অন্তৰ;
—বাহিৰৰ ৰূপ দেখি বলিয়া জগত—
সীতায়ো বিচাৰে সেয়ে হৰিণা সোণৰ !
সমুদ্ৰৰ সেতু আছে, নাই বেদনাৰ;
লঙ্কাৰ দহন তুচ্ছ,— নহয় হিয়াৰ ॥

—•—

# আমাৰ দেশৰ বৰ্ত্তমান শিক্ষাৰ অৱস্থা

শ্ৰীভৱকান্ত দত্ত বি, এচ, চি, বি, টি,

(আগৰ সংখ্যাৰ পিচৰ পৰা)

মস্তিষ্ক, হৃদয় আৰু হাতৰ উপযুক্ত চৰ্চ্চা আৰু অনুশীলন আদি পাশ্চাত্য দেশ সমূহৰ শিক্ষা-ব্যৱস্থাত প্ৰায় দেখা নাযায়। ভাৰত ঘাইকৈ আধ্যাত্মবাদী, আত্ম-জ্ঞানৰ সন্ধানকাৰী। বহি-জীৱন আৰু বহিৰ্জগৎ ভাৰতৰ ধ্যান-ধাৰণাৰ বস্তু নাছিল। মানবৰ আত্মিক বলৰ বিকাশ সাধন কৰাই ভাৰতৰ প্ৰধান উদ্দেশ্য আছিল। ঐহিক জীৱনৰ ভোগ, বিলাস, ঐশ্বৰ্য্যক ভাৰতে কেতিয়াও শ্ৰেষ্ঠ স্থান দিয়া নাই। ত্যাগ আৰু সেৱাই ভাৰতৰ জীৱনৰ আদৰ্শ আছিল। এই যুগ বিজ্ঞানৰ যুগ। শিল্প, বাণিজ্য, চিকিৎসা, যান বাহন, আমোদ প্ৰমোদ, মাৰণ অস্ত্ৰ আদি কৰি জীৱনৰ সকলো ক্ষেত্ৰতে বিজ্ঞানৰ জয়-যাত্ৰা আজ অস্বীকাৰ কৰিব নোৱাৰি। ঠাই আৰু সময়ৰ ব্যৱধান বিজ্ঞানে আজি বহু পৰিমানে দূৰ কৰিছে। ভাৰতৰ বাহিৰৰ সামাজিক, অৰ্থনৈতিক, শ্ৰমিক, ৰাষ্ট্ৰিক, বৈপ্লৱিক আন্দোলনে ভাৰতকো সহজে আন্দোলিত কৰে, ইয়াত আচৰিত হবৰ একো নাই। কৃষি প্ৰধান ভাৰতবৰ্ষতো আজি ডাঙৰ ডাঙৰ শিল্প প্ৰতিষ্ঠান গঢ়ি তুলিবলৈ কল্পনা কৰা হৈছে। কালৰ সোঁতক কোনেও বাধা দি ৰাখিব নোৱাৰে। কোনো কোনো লোকে কয়, শিল্প এৰা, আদৰ্শ ধৰা, আৰু কোনো কোনোৱে কয় আদৰ্শ এৰা, শিল্পৰ প্ৰচাৰ কৰা। এই দুটা মতৰ কোনোটোকে আমি উপেক্ষা কৰিব নোৱাৰোঁ। দেশৰ যাতে প্ৰকৃত মঙ্গল হয়, সমস্যাৰ মীমাংসা সেই ভাবেই কৰিব লাগিব। দেশৰ সৰ্ব্ব-সাধাৰণ আৰু জন-গণেই মাত্ৰ ইয়াৰ সু-মীমাংসা কৰিবলৈ সক্ষম। এই সমস্যাৰ মীমাংসাৰ প্ৰয়োজনীয়তা যেতিয়া মৰ্মে মৰ্মে অনুভব কৰিব, তেতিয়া মানুহ উদাসীন হৈ থাকিব নোৱাৰিব। এই গুৰু কাৰ্য্যৰ বাবে সৰ্ব্বসাধাৰণৰ আৰু জনগণৰ কাৰ্য্যকৰী শিক্ষাৰ ব্যৱস্থা কৰা আৰু শিক্ষা পৰিকল্পনাৰ আমূল সংস্কাৰ কৰা দৰকাৰ। শিক্ষাবিদ সকলৰ কৰ্ত্তব্য দেশবাসীক ভাৰতীয় কৃষ্টি, সভ্যতা, সাধনা আৰু আধ্যাত্মিকতা সম্বন্ধে সচেতন কৰা আৰু লগে লগে আৰ্থিক উন্নতি আৰু স্বচ্ছন্দে জীৱন যাপনৰ বাবে যিমানবিলাক বৈজ্ঞানিক মত, পথ আৰু উপায় আবিষ্কাৰ হৈছে, সেই সম্বন্ধে তেওঁলোকক জ্ঞান দিয়া যাতে যুক্তি আৰু বিচাৰৰ সহায়ত তেওঁলোকে নিজৰ মঙ্গল পথ নিজেই বাচি লবলৈ সক্ষম হয়। অৰ্থকৰী আৰু কৃষ্টিগত শিক্ষা ব্যৱস্থাত মস্তিষ্ক, হৃদয় আৰু হাতৰ সুনিয়ন্ত্ৰিত আৰু সুপৰিকল্পিত অনুশীলনৰ একান্ত প্ৰয়োজন। শিল্প আৰু বাণিজ্য বিষয়ক শিক্ষা আৰু চৰিত্ৰ গঠনো যি কোনো শিক্ষা পৰিকল্পনাৰ অঙ্গ হোৱা আৱশ্যক।

ভাৰত স্বাধীন হোৱাৰ পাছত এতিয়া সকলো দায়িত্ব আমাৰ। আমাৰ উদ্দেশ্য সিদ্ধিৰ অৰ্থে যথোপযুক্ত শাৰীৰিক, মানসিক, নৈতিক আৰু আধ্যাত্মিক শিক্ষাৰ প্ৰচলন কৰিব লাগিব। ভাৰতৰ আদৰ্শ সমাজতান্ত্ৰিক গণতন্ত্ৰ। সকলোৰে সমান সুযোগ, সকলোৰে সমান অধিকাৰ। গতিকে স্বাধীন ভাৰতৰ দায়িত্ব আৰু কৰ্ত্তব্য বিশাল। এই বিষয়ে ৰাষ্ট্ৰৰ যেনে কৰ্ত্তব্য আছে, প্ৰত্যেক শিক্ষিত লোকৰও তেনে কৰ্ত্তব্য আছে।

শিক্ষাৰ শ্ৰেষ্ঠ দান চৰিত্ৰ আৰু ব্যক্তিত্ব। ভাব আৰু আদৰ্শৰ উপলব্ধি কৰি আৰু আচৰণৰ দ্বাৰাই জীৱন গঠিত হয় আৰু ব্যক্তিত্বৰ বিকাশ হয়। চৰিত্ৰ গঠনৰ উদ্দেশ্য আদৰ্শ অনুযায়ী পৰি-

বৰ্ত্তন সাধন কৰা। যি শিক্ষাত চৰিত্ৰ গঠনৰ বা ব্যক্তিত্ব বিকাশৰ প্ৰশ্ন নাই, সেই শিক্ষাক শিক্ষা বুলিব নোৱাৰি। চৰিত্ৰ বুলিলে ইচ্ছা শক্তিক কৰ্ষণ কৰাকে বুজায়। ইচ্ছা শক্তি দৃঢ় কৰিব লাগিলে, সংযম আৰু একাগ্ৰতাৰ প্ৰয়োজন। ভাৰত বাসীয়ে চৰিত্ৰ গঠনৰ ওপৰতে বেচি গুৰুত্ব আৰোপ কৰি আহিছে। ভাৰতৰ আদৰ্শত শিক্ষাৰ্থী মাত্ৰেই ব্ৰহ্মচাৰী, সংযমী আৰু আৰু আত্ম জ্ঞান সন্ধানী। শিক্ষা ব্যৱস্থাত ইচ্ছা শক্তি বঢ়াবৰ বাবে আত্ম-সংযম আৰু একাগ্ৰতা সাধনাৰ যথেষ্ট সুযোগ থাকিব লাগিব। পশু-প্ৰবৃত্তিক দমন কৰিবৰ বাবে, প্ৰত্যেক উত্তেজনাতে অস্থিৰ নহবৰ বাবে ইচ্ছা শক্তিৰ যি অনুশীলন আৰু প্ৰয়োগ তাকেই আত্ম সংযম বোলে। নিয়মানুবৰ্ত্তিতা আৰু স্বশাসন, এই দুটা আত্ম-সংযমৰ প্ৰত্যক্ষ দান। মিতাচাৰ, মিতাহাৰ আৰু বাক্-সংযম এই তিনিটাৰ অনুশীলন প্ৰত্যেক শিক্ষাৰ্থীৰে কৰ্ত্তব্য। ইচ্ছা শক্তিক দৃঢ় আৰু বঢ়ালেই নহব, তাক উপযুক্ত ক্ষেত্ৰত প্ৰয়োগ কৰিব লাগিব। ইচ্ছাই যাতে দয়া, মায়া, সেৱা, সহানুভূতি, প্ৰেম স্বাৰ্থত্যাগ আদি মহৎ বৃত্তিৰ অনুসৰণকাৰী হব পাৰে, তালৈ চকু ৰাখিব লাগিব। লৰাক গুৰুজনৰ প্ৰতি ভক্তিশ্ৰদ্ধা কৰিবলৈ আৰু প্ৰতিদিনে কোনো জীৱ সেৱা বা পৰোপকাৰ কৰিবলৈ শিক্ষা দিব লাগিব। ইয়াৰ বাবে বিদ্যালয়ত পুৰস্কাৰৰ ব্যৱস্থা থাকিব লাগিব। শিক্ষাৰ্থীৰ মনত এই বিশ্বাস দৃঢ়বদ্ধ হব লাগিব যে, তাৰ জ্ঞানাৰ্জ্জন কেবল তাৰ নিজৰ নিমিত্তে নহয়, জন,, দেশ, আৰু ধৰ্ম্মৰ মঙ্গল সাধনৰ বাবেও তাৰ জ্ঞানাৰ্জ্জন দৰকাৰ। জাতি আৰু দেশৰ প্ৰতি মৰম আৰু ভাল পোৱাৰ ভাব জগোৱা সুশিক্ষাৰ এটা প্ৰধান উদ্দেশ্য। ইতিহাস ৰামায়ণ, মহাভাৰত, পুৰাণৰ, গল্প আদি পঢ়া, প্ৰাচীন ভাৰতৰ সাহিত্য, দৰ্শন আদিৰ জ্ঞান, মহাপুৰুষ সকলৰ জীৱন চৰিত্ৰ পাঠ আদিৰ দেশ আৰু জাতিৰ প্ৰতি প্ৰেম, ভালপোৱা আদিৰ দ্বাৰা সহজে বঢ়াব পৰা যায়। নিজৰ দেশ আৰু দেশবাসীক ভাল পাব নোৱাৰিলে বিশ্ব আৰু বিশ্ববাসীক ভাল পোৱাটো সম্ভৱপৰ নহয়। যি শিক্ষাত ভগৱৎ বিশ্বাস আৰু ভগৱৎ প্ৰেমৰ সুযোগ নাই, সেই শিক্ষা ভাৰতৰ কৃষ্টি বিৰোধী। গতিকেই শাস্ত্ৰ আদি পঢ়া, মহাপুৰুষ সকলৰ জীৱন আৰু বাণীৰ আলোচনা কৰা, প্ৰাৰ্থনা, তীৰ্থ আৰু পুণ্যস্থানত ভ্ৰমণ কৰা, শিক্ষকৰ আৰু পাৰিপাৰ্শ্বিকৰ আধ্যাত্মিক প্ৰভাৱ আদিয়ে এই বিষয়ে যথেষ্ট সহায় কৰিব পাৰে। জীৱনক সকলো প্ৰকাৰে সুন্দৰ কৰি গঢ়ি তুলিবৰ বাবে ৰস, ৰুচি আৰু সৌন্দৰ্য্যৰ উপভোগ আৰু তাৰ কৰ্ষণ অতি সৰু কালৰে পৰাই আৰম্ভ কৰা উচিত। ঘৰ আৰু বিদ্যালয়ত বয়স আৰু শক্তি অনুসাৰে প্ৰত্যেক শিশুৰ ৰস, ৰুচি, ভদ্ৰতা আৰু সৌন্দৰ্য্য শিক্ষাৰ যথেষ্ট ব্যৱস্থা কৰা গুৰুজন, অভিভাৱক আৰু কৰ্ত্তৃপক্ষৰ কৰ্ত্তব্য।

—০—

## বিশেষ কৰ্ত্তব্য

আপোনাৰ প্ৰিয় পৰিজনক সদায় কিতাপ আলোচনী আদি উপহাৰ দিব। লৰা-ছোৱালীক বাছকবনীয়া কিতাপ পঢ়োৱাৰ অভ্যাস কৰাব। সিহঁতেই আপোনাৰ ভৱিষ্যৎ। আপুনি মাহেকত অন্ততঃ ১০।১৫৲ টকা কিতাপ আলোচনীত কিনাত খৰচ কৰিব। আমাৰ শৰীৰৰ বাবে আহাৰৰ যেনে প্ৰয়োজন, মনৰ বাবেও আহাৰৰ তেনে প্ৰয়োজন। মানসিক আহাৰৰ কথা যেন আপুনি পাহৰি নাযায়।

—পাঠচক্ৰ—

# সমাজিকত ৺বৰবৰুৱা কৃপাবৰ

শ্ৰীৰত্নকান্ত বৰকাকতী।

বৰবৰুৱা কৃপাবৰ ওৰফে ৰসৰাজ ৺বেজবৰুৱাৰ পৰলোকৰ পিছত অসমীয়া ভাষা আৰু অসমীয়া সাহিত্যটো "মা-বাপ" নোহোৱা মাউৰা লৰাৰ দৰে নাড়ীয়ে পেটে লাগি শুকান কৰ্কৰীয়া হোৱা বাবেই নে কি আজি কালি প্ৰায়েই ৺বেজবৰুৱা ওৰফে কৃপাবৰ বৰুৱালৈ মনত পৰি থাকে। সেইদেখি-য়েইনে কি সমাজিকত এতিয়ালৈ ঘনাই কৃপাবৰ বৰুৱাক লগ পাওঁ। —গ'ল ৰাতি সমাজিকত স্বয়ং বৰবৰুৱা কৃপাবৰ আহি মোৰ আগত সমুপস্থিত। মই দেখিয়েই ভৰিত দীঘল দি পৰিলোঁ। মোৰ মূৰটো ধৰি ডাঙি দি বৰবৰুৱা চাহাবে মাত লগালে:— "তোমাক ঈশ্বৰে কুশলে ৰাখিছে ?"

মইঃ— হয়, থৈছে আৰু এক প্ৰকাৰে।

বৰবৰুৱাঃ— তুমি পিছে আজি-কালি কবিতা লেখিবলৈ এৰিলা হবলা ?

মই :—এৰাই বুলিব লাগে। কিনো লিখিম বাৰু বৰুৱা ডাঙৰীয়া, মোৰনো লিখিবলৈ আছে কিটো ?

বৰবৰুৱাঃ—এঃ, তুমি অকাল বৃদ্ধৰ দৰে কথা কৈছা কিয়হে ? লিখিবলৈ কি নাই ? —মোৰ মৰমৰ চিকুনী অসমদেশ খন, পৰ্ব্বতে ভৈয়ামে পাৰি আছে, এই চন্দ্ৰ সূৰ্য্য গ্ৰহ নক্ষত্ৰ তৃণ তৰু লৈ সৰোবৰেৰে ভৰা শ্যামলা বসুন্ধৰা, ভাই ভণী, আই বোপাইৰ বুকু ভৰা চেনেহ মৰম লৈ আগতে সদায় ঘূৰিবই লাগিছে। কি নাই, সকলো আছে।

মইঃ—সেইবোৰ, বৰবৰুৱা চাহাব থকালৈহে আছে। আপোনাৰ নিচিনা ভুমুক ৰসৰ উৎসলৈহে (Fountain head) সকলো ৰামায়ণ হৈ এই চিৰ-পুৰাণ পৃথিবীখনো নতুন হৈ আছে; মোৰ নিচিনা অসাথনীয়া অভাজনলৈ আজি জগৎ-সংসাৰ গোটেই শুকান, নীৰস সকলো অসাৰ সংসাৰ !

বৰবৰুৱাঃ—তুমি মৰিলানে জীয়াই আছাহে ? মই যে মোৰ গোটেই দেশখন লুইতৰ বালি আৰু কহুৱাৰ ফুলেৰে সৈতে তোমালোকক উইল কৰি দি আহিছিলোঁ, তোমালোকে তাৰ একো সদ্ব্যৱহাৰ নকৰি মৰিবলৈহে ওলালা— মই সঁচাকৈয়ে বৰ দুখীত। I am really very sorry.

বৰবৰুৱা চাহাবে এই বুলি কওঁতেই মোৰ হঠাৎ মনত পৰিল যে বৰবৰুৱা চাহাব পৰকাল হোৱা আজি বহু বছৰ হল; গতিকে মই সবিনয়ে বৰবৰুৱা ডাঙৰীয়াক সুধিলোঁঃ—বৰবৰুৱা চাহাবনো এতিয়া কোন লোকত আছেগৈ ?

বৰবৰুৱাঃ—তুমিয়েই কোৱাচোন বাৰু, মই কোন লোকত আছোঁ ?

মইঃ—যমপুৰীত নিশ্চয় নাই— এতিয়া মানে হয় বৈকুণ্ঠত, নহয় অন্ততঃ স্বৰ্গত !

বৰবৰুৱাঃ—ইস্, মই বৈকুণ্ঠবাসী বা স্বৰ্গবাসী হৈ বৈকুণ্ঠ আৰু স্বৰ্গতে আবদ্ধ থাকিবৰেহে যোগ্য, অইন ঠাইলৈ আয়াযাত কৰিবলৈ হবলা মোলৈ প্ৰৱেশ নিশেধ ? কিয় পৃথিবীলৈ মই আহিবই নাপায়নে কি ?

মইঃ—নহয়, বৰবৰুৱা চাহাব, মোক ভুল নুবুজিব মই সেইটো কোৱা নাই। মই কৈছোঁ বৰবৰুৱা চাহাবৰ এতিয়া permanent Settlement— স্থায়ী নিবাস ক'ত হৈছে— ত'ৰ কথাহে !

বৰবৰুৱা— নাই "পাৰ্মেনেণ্ট্ চেটোলমেণ্ট" ক'তো নাই। মই নোমাডিক ( nomadic ) ভ্ৰাম্য মান, মই দ্যুলোকে ভূলোকে স্বৰ্গে মৰ্ত্তো পৰ্ব্বতে কন্দৰে— গোটেই খনতে মুকলি মুৰীয়া চৰাইৰ দৰে উৰি ফুৰোঁ।

মই —তেন্তে বৰবৰুৱা চাহাবৰ যমপুৰীলৈকো ফ্ৰি-

একচেচ (Free access) আছে ?

ববৰকৰা— আছে তো ! অলপতে যমপুৰীতো ভুমুকি এটা মাৰি আহিলোঁহঁগৈ !

মই— তাহানি পৃথিবীত থাকোঁতে ববৰকৰা চাহাবে সমাজিকতো এবাৰ যমপুৰী পাইছিলগৈ নহয় ।

ববৰকৰা— ওঁ পাইছিলোঁ তো !

মই— পিছে এতিয়া দেখা যমপুৰীখন সেই সমাজিকত পোৱা খনৰে সৈতে একে খনেই নে বেলেগ ?

ববৰকৰা— কেনেকৈ হব বেলেগ ? সেই একে খনেই হবহু সেই আগেয়ে দেখা খনেই !

মই— সমাজিকত যোৱা বাৰত সেই ইপুৰীত "জোনাকী" কাকত নপঢ়া বাবে অসমীয়া কেইটাক যে যমদূতে সেই কেঞ্চাৰ আখৰেৰে লিখা কাগজ এখন পঢ়িবলৈ দিছিল, আৰু পঢ়িব নোৱাৰোঁতে সেইবাবে পিঠিত সোকাৰে সাৰোপ ২ কৈ কোবাইছিল,— এইবাৰো ববৰকৰা চাহাবে যমপুৰীত তেনেকুৱা কিবা দৃশ্য দেখা পাইছিলনে চাহগৈ ?

ববৰকৰা— পাইছিলোঁ তো ! বিস্তৰ পাইছিলো। সেইবোৰ এটা এটাকৈ কবৰ হলে সাতকাণ্ড ৰামায়ণ হব। এইবাৰযে অসমীয়া কবি কেইজন মানৰ দুৰ্দ্দশা দেখিলোঁ, কি ক'বা আৰু !

মই— অসমীয়া কবিৰ দুৰ্দ্দশা ? কি কলে ববৰকৰা চাহাবে ? কবি (poet) গায়ক (musician) শিল্পী (artist)— এই সকলৰ বোলে পৰলোকত পৰম ভোগ পৰম আনন্দ, তেওঁলোকৰ নিবাস হেনো হয়— গন্ধৰ্ব্বলোক নহয় স্বৰ্গলোক। এনে স্থলত আপুনি যমপুৰীতহে দেখি আহিল কবিক— তাতো দুৰ্দ্দশা ! কি কলে ববৰকৰা চাহাব; কি কলে আমঠু কলা পৰি যোৱা কথা কলে !

ববৰকৰা— কবিয়ে কবিয়ে আছে নহয় হে ! আচল কবি সকলৰ বাসস্থান পৰলোকত গন্ধৰ্ব্বলোক আৰু অনেকৰ স্বৰ্গলোকো হয়। কিন্তু নকল কবি বা অকবি কবিহঁতৰ যমপুৰীবিনে গত্যন্তৰ নাই— বুজিছা ?

মই— অ' তেন্তে আপুনি যি কেইজন কবিৰ দুৰ্দ্দশা দেখি আহিল তেওঁলোক আচল কবি নহয় ?

ববৰকৰা— তেওঁলোক অকবি কবি। পৃথিবীত থাকোঁতে আচল কবি বোলায়েই আছিল— পিছে যমপুৰীত গৈ চিত্ৰগুপ্তৰ কৃপাত ধৰা পৰিল।

মই :— ধৰা পৰিল ! কেনেকৈ ?— কেনেকৈ ধৰা পৰিল ববৰকৰা চাহাবৰ অনুগ্ৰহত বৃত্তান্তটো শুনিবৰ বৰ আগ্ৰহ হৈছে।

ববৰকৰা— শুনা বাৰু ! মই সেই সিবাৰ সমাজিকত যমপুৰীলৈ যাওঁতে মিতা বন্ধাই লোৱা যমদূত মিতা জনক এইবাৰো গৈ বাটতে লগ পালোঁ। লগ পাই দুয়ো গৈ আছো এনেতে দেখিলো তলত বৰ্ণোৱা দৃশ্যটো !

দুটা যমদূত হাতত সোকা লৈ দুপিনে থিয় দি আছে, মাজতে এখন "বোৰ্ড" (Board) বা ডাঙৰ কাঠৰ ফলি থিয়কৈ থোৱা আছে। তাৰ গাতে আখৰ মচা ফটা কানি এখনৰে সৈতে চকমাটি এডোখৰো ওলমি আছে। ফলি খনৰ কাষতে তিনিজন মানুহ থিয় দি থক্ থক্‌কৈ কঁপি আছে। এই দৃশ্যটো দেখি মিতা যমদূতক সুধিলোঁ— কিমদৃশ্যম এইটি ? যমদূত বদন্তি— এই থক্ থক্‌কৈ যে কঁপি আছে তিনিজন— ইহঁত অসমীয়া কবি, ইহঁতৰ গাত প্ৰকৃত কবিত্ব গুণ নাই— অথচ ইহঁত অকবি হৈও সিপুৰীত ইহঁতে যিহকে পায় তাকে লিখি ছন্দ লণ্ড ভণ্ড কৰি ভব্য গব্য নব্য নব্য কবি বোলাই স্কুলীয়া লৰা বিলাক নষ্ট কৰিছিল দেখি এতিয়া সিহঁতক চিত্ৰগুপ্তই ধৰা পেলোৱাত কবিতা লিখাৰ মহলা একজামিন (Examination) দিব লগাত পৰিছে। ফলিত দিয়া ইহঁতৰ উত্তৰবোৰ শুদ্ধ নহলে কাষত থিয় দি থকা যমদূত দুটাই ইহঁতৰ পিঠিত উধাই মুধাই সোকা চলাব।

মই— শুনি সন্তোষ পালোঁ। ইহঁতৰ নো এই পুৰীত বান্দৰালিখন ! এতিয়া পিছে কেনে



একজামিন দিবলগা হলগৈ ! সিহঁতৰ উত্তৰবোৰ শুদ্ধ হবনে অশুদ্ধ হব— সেই যমদূত দুটাই বাৰু কেনেকৈ জানিব ?

ববৰকৰা— তুমিয়ো ভাল। চিত্ৰগুপ্তই স্বয়ং আহি সিহঁতৰ পৰীক্ষা ল'ব— তাৰে সেইটো উদ্যোগ পৰ্বহে। তুমি বাৰু অলপ ধৈৰ্য্য ধৰা— গোটেই চিত্ৰটো তোমাক দেখুৱাবৰ হলে তোমাক যমপুৰীলৈকে লৈ যাব লাগিব। নহলে কেৱল মই মুখেৰে বৰ্ণায় গলে কি ৰস পাবা ?— চকুৰে সাক্ষাৎ দেখিলেহে ভাল।

মই— মই নমৰাকৈ যমপুৰীলৈ কেনেকৈ যাম ? যমপুৰীলৈ যাবৰ হলে যে মই মৰিব লাগিব ?

ববৰকৰা— মৰিব নেলাগে। নমৰাকৈয়ে যাব পাৰিবা। মই তোমাক "হিপনটাইজ" (hyptnotise) কৰি যমপুৰীলৈ লৈ যাম চাবা।

এই বুলি কৈয়েই ববৰকৰা চাহাবে তেখেতৰ হাতৰ তলুৱা দুখন মোৰ চকুৰ ওচৰত টোৱাই ভিৰাই কিবা টাই-বাই খন কৰিবলৈ ধৰে— মই মৰি যমপুৰী ওলামগৈ বুলি ভয় খাই হঠাতে চিঞৰ মাৰি দিলোঁ— "আই ঐ" ! চকু মেল খাই গ'ল আৰু মই উঠি বহিলোঁ।

—•—

# নিকাৰে ভৱক চাৰিও কুল

শ্ৰীঅম্বিকাগিৰি ৰায়চৌধাৰী।

কৱি কৱিতা ৰচিবা ! ৰচা তেনেহলে—
ঝঙ্কৃত কৰি ত্ৰিলোক-তন্ত্ৰী,
স্তম্ভি জগত-যন্ত্ৰ-যন্ত্ৰী,
মৃতামৃতৰ বিধান মন্ত্ৰি,—
পৰাজিত কৰি ব্ৰহ্ম-নাদকো গাজক তোমাৰ কৱিতা ধলে,—
বিস্মিত হৈ শ্ৰান্তিত হালি থমকি চাওক পলানুপলে –
স্বৰ্গ-মৰ্ত্ত্য একীভূত হ'ক,
সিন্ধুত হিমগিৰি জাহ য'ক,
তৰিতৰ বিভা জমি কোচ খ'ক,—
ধ্বস্তি পৰক তলাতলহীন মহানীলখন ঠেকেছা খাই,
ধৰিত্ৰীখনো বাস্পিত হৈ উৰি য'ক তাৰ বেদনা গাই।
পাতালৰ শিপা উভৰি পৰক,
নিখিলৰ দেহা ধোৱাঁৰে ভৰক,
দশোদিশ জুৰি প্ৰলয় উৰক,—
অগ্নি-জিভাৰে চেলেকি চেলেকি চৰাচৰখন কৰক ছাই;
কাল-মহাকালে প্ৰমাদ গণক হিচাব-পত্ৰ উজাৰি চাই।

কিয় উঠে তাৰ সৃষ্টি-পটত
কদৰ্য্যতাৰ আপচু বান ?
তাৰেই সৃষ্ট মানৱে বা কিয়
তৃপ্তিৰ কৰে তাৰেহে ধ্যান ?
সঙ্কোচনাৰ সীমা ভাঙি কিয়
লাজৰ মুৰত লাথি কোবাই,
সৃষ্টি কলাৰ মহত্বতাক কল্মষ-সোঁতে দিলে বুৰাই ?
স্বচ্ছ সৰল প্ৰকাশ-উৎস মনোময় নিকা দাপোনখন—
উগ্ৰ ঘোলাই ক'ৰ পৰা আহি ক্লেদ ঢালে তাত ইমানখন ?

অপৰিচ্ছন্ন খুৰলী-কুঁৰলী
স্পষ্ট-স্থিৰতা একোটো নাই,—
চিৰন্তনাকুল জীৱন পথিকে,
শান্তি লভিব কি ৰূপ চাই ?
লিখা যদি কৰি ! লিখা তাকে লিখা, তাৰে ৰহস্য-কৱিতা লিখা,
মাৰ্ত্তণ্ডকো পৰিম্লান কৰি জ্বলক তোমাৰ কৱিতা শিখা ।
লিখিলা বহুত অযুত নিযুত ;—
একো সমাধান নোলাল নিখুত,
খুঁতেতেই খুঁতে ভেঙ্‌চালি মাৰি
জগালে খুঁতৰ অনল—কুট ।
দিয়া, দিয়া কৰি ! তাৰে সমিধান,
গোৱা, গোৱা কৰি ! তাৰে জয় গান,
অখিল ভূতৰ ৰন্ধ্ৰে ৰন্ধ্ৰে উপচি উঠক নিনাদ তাৰ—
সৃষ্টি-কলাক কলুষিত কৰা,
মনোজগতৰ স্বচ্ছতা হৰা,
মেৰদণ্ডৰ সাফ সোলোকোৱা লঘু হ'ক ক্লেদ গ্লানিৰ ভাৰ ।
হ'ক সেই ক্ষণতেই নৱ-সৃষ্টিৰ পৰিকল্পনা অঙ্কুৰিত,
দীঘলে-পুতলে তলাতল ভেদি হ'ক স্বচ্ছতা বিচ্ছুৰিত—
স্বচ্ছ হাঁহিৰ নিকা ফুল ফুলি,
নিকাৰে গোন্ধ বিলাই য'ক,
প্ৰতি প্ৰকাশতে কাণে কাণে ভৰি
নিকা হাঁহিটোৰে বেদনা ৰ'ক,
সুখ-দুখ-শোক মানাভিমানতো
হাঁহি-কলাময়, ফুলক ফুল,
নিকা নিকা হাঁহি, নিকা নিকা কলা,
নিকাৰে ভৰক অকুল-কুল ।
—:০:—

# "এইটোৱেই ইহতৰ জীৱন"

গল্প ]

লিখক:—শ্ৰীৰাধিকামোহন গোস্বামী

ভাগৰ লাগিছিল । চাহটোপা খাই উঠি বিছনাখনত দীঘল দি পৰি চকু দুটা মুদিলো । আহে যদি টোপনিয়েই আহক । ··· ···চাহখাই থাকোতেই শ্ৰীমতীয়ে এবাৰ লেবলেবাই কিবাকিবি বস্তু কেইটামান দোকানৰ পৰা কিনি অনাৰ ফৰ্ম্মাচ দিছিল । মই কাণ নিদিলো । মোৰ পৰা কোনো উৎসাহ নাপাই কিবা কেইটামান কথা মুখেৰে ভোৰভোৰাই থং কৰি আঁতৰি গল । তেওঁৰ কথাত গুৰুত্ব নিদি ময়ো বিছনাত পৰিলোহি ।

টোপনি নাহিল । এইদৰে এনেয়ে পৰি-থাকিও ভাল লগা নাছিল । এবাৰ নামি গৈ খবৰৰ-কাগজখন বিচাৰি হাতত লৈ আকৌ বিছনাত উঠিলোহি । ·········কলিকতাৰ পৰা অহা দৈনিক ইংৰাজী কাগজ । পৃথিৱীৰ ভালবেয়া সকলো খবৰ থাকে । ······দিনটোৰ আন আন কামৰ ভিতৰত কাগজখনত চকু ফুৰুৱাও এটা প্ৰধান কাম । কাগজখন নাপালেই যেন অশান্তি । অশান্তিৰো দেখিছো অন্ত নাই । ··· ··· ···

পাট লুটিয়াওতেই চকু পৰিল চিনেমাথিয়েটৰৰ বথলাবথল এড্‌ভাৰটাইজমেণ্ট বোৰলৈ । বিধ বিধ ছবি । পুৰুষ-ৰমনী, হাতী-–বাঘ, গৰু-ছাগলী । ছবিৰ যেন এখন মেলা । ······তিৰোতাবিলাকৰ সৰহখিনিয়েই হয় অৰ্দ্ধনগ্ন, নহয়, কোনোবা পুৰুষৰ কান্ধত আওজি, নাইবা হাতত ধৰি থিয় হৈ আছে । পুৰুষৰ কান্ধ বা হাতৰ অবিহনে যেন সংসাৰ তেনেই অসাৰ । নগ্নতাৰ মাজতেই হেনো আৰ্ট । সেই কাৰণেই বক্ষস্থল নাইবা উৰুযুগল অনাবৃত কৰি ৰাখিব পৰাই হেনো ভাল । নোৱাৰিলে, অৱশ্যে উপায় নাই । শ্লীলতা বুলিও এটা কথা সমাজত চলি আছে যেতিয়া, একেবাৰেইনো বস্ত্ৰ কেনেকৈ বাদ দিয়ে ? সিও অৱশ্যে এটা কথা । ······ ডাফলী তিৰোতা এজনীৰ ছবি এটা চকুত পৰিল । এগৰাকী নাম কৰা ষ্টাৰ হেনো । ভাৰতীয় ভাষাত এওঁলোকক তাৰকা বুলি কয় । —ডাঙৰ ডাঙৰ আখৰেৰে নামটো ছাপা কৰি দিছে । প্ৰত্যেকটো আখৰেই যেন একোটা একোটা মকুতা, নামটো যেন মুকুতাৰ এধাৰ হাৰ । ডেকা লৰাৰ সপোন কুঁৱৰী । শৰীৰ ঢাকিবলৈ এওঁক কাপোৰ সৰহকৈ নালাগে যেন লাগিল । লোহোৱা লোহোৰ হাত ভৰিবোৰ ছবিৰ মাজেদিয়েই যেন সজীৱ ! মনত খেলাই গল······ ছিঃ, ছিঃ ! কি নিলাজ ! নাকটো যেন কোঁচখাই গল ।

"দেউতা"

লৰাটো সোমাই আহিল । এইবাৰ মেট্ৰি-কুলেছন দিব । তাৰ মাতটো শুনিয়েই কাগজখন আঁতৰাই থলো । পেটত ভয় ছবিবোৰ কি জানি তাৰ চকুত পৰে !

"কি হল ?" প্ৰশ্ন কৰিলো ।

"কাগজখন দেছোন ।"

"কিয় ? কিতাপ পঢ়ি হলেই নে ?"

"হল । কাগজখন কি কৰিলি ?"

"পিছত নিবি । মই এতিয়া পঢ়ি আছো । সি আঁতৰি গল । কিন্তু ব্যৱস্থাটোত মই নিজেই তৃপ্তি বোধ নকৰিলো । —কাগজখনকে বন্ধ কৰি দিয়াৰ কথা এবাৰ ভাবিলো কিন্তু উপায়টো মোৰ নিজৰেই মনঃপুত নহল । কাগজখন যে মোকো লাগে··· ···· । ···

হঠাৎ চিন্তাস্ৰোত বন্ধ হৈ গল । লক্ষ্মীৰামৰ ঘৈনীয়েকৰ বিকট চিঞৰটো আজি আকৌ কাণত পৰিলহি । বিৰক্তি বোধ কৰিলো, থং উঠিল

মদৰ ৰাগীত বলিয়া হৈ লক্ষীৰাম ঘৰ সোমাইছেহি বুলি বুজিলো। .... .... ...

লক্ষীৰামহত চহৰৰ এঘৰ পুৰণি মানুহ। আমাৰে সৈতে একে সীমা। আমি থকা মাটিখিনি এসময়ত সিহতৰে আছিল। বাপেকে কিছু মাটি বেচিলে আমাক, সৰহখিনি বেচিলে আনক। বাপেক দদায়েকেই দৰিদ্ৰ কৰি থৈ গল বুলি উপৰি-পুৰুষক লক্ষীৰামে সদায় গালি পাৰে। গালি পৰাটোও যেন তাৰ দৈনন্দিন কামৰ ভিতৰৰে এটা। এতিয়া থকা ভেঁটীটোৰ বাহিৰে নিজৰ বুলিবলৈ আন মাটি আৰু তাৰ নাই। ... ...

ঘৰত সি, তাৰ ঘৈণীয়েক কদমী আৰু সৰু সৰু দুটা লৰাছোৱালী। ব্যৱসায় দিন হাজিৰা। তাকো কেতিয়াবা পায়, কেতিয়াবা নাপায়। কাম নোহোৱাৰ দিনাও সি ঘৰত নাথাকে। ঘৰত থাকি হেনো ভাল নালাগে। ইফালে সিফালে যায়, গল্প কৰে, হাৰা খায়।

তাৰ ঘৈণীয়েকৰ চিঞৰ-বাখৰ প্ৰত্যেকদিনে কাণত পৰেহি। অসহ্য হলে বাধা দিবলৈ মাত দিও। কেতিয়াবা ফল ধৰে, কেতিয়াবা গালি শুনো। ... ....সিও কান্দে, বুকুত ভুকুৱাই কান্দে। তাৰ চৌধ-পুৰুষক ধৰি গালি পাৰে। লগতে ওচৰ-চুবুৰীয়াকো। বন্ধু-বান্ধৱো বাদ নপৰে। ...লাহে লাহে চিঞৰ-বাখৰ বন্ধ হয়। ভাবো,. বোধ হয়, এই নাটকৰ অভিনয় আজিয়েই শেষ। কিন্তু মোৰ ভুল। পিছ দিনা ঠিক নিৰ্দ্দিষ্ট সময়তেই যেন সেই একে চিঞৰ-বাখৰ, হাই-উৰুমি আকৌ কানত পৰেহি। এই দৃশ্য দৈনন্দিক জীৱনৰ এটা অঙ্গ-স্বৰূপ হৈ পৰিছিল। ..................

কিয় সি মাৰে, কদমীয়েই বা কিয় মাৰ খায় কোনো দিনেই বুজিব নোৱাৰিলো। কোনো কাৰণ নাই, সামান্য তৰ্ক-বিতৰ্ক, কথাৰ অমিল, তাতেই কুৰুক্ষেত্ৰ সৃষ্টি হয়। লক্ষীৰাম গৰ্জ্জি উঠে। লগে লগেই ঘৈণীয়েকৰ বিকট চিঞৰ। লৰা-ছোৱালীৰ হুৱাদুৱা, ইননি-বিননি। —মনে মনে মই সদায় কষ্ট পাওঁ কিন্তু প্ৰতিবিধানৰো উপায় মই নেদেখিলো।

"আইদেও, মোৰ পোৰা কপাল। গধূলি হলেই কৰবাৰ পৰা মুতনি কিছুমান খাই আহি ঘৰখন বাহ তল কৰিবহি। খোৱা ভাতৰ সুখ নোহোৱা কৰে। সি এনেকুৱা বুলি জনা হলে আই-বোপাইৰ মৰম বেথা এৰি থৈ তাৰ লগত মৰিবলৈ কেতিয়াও মই নাহিলোহেতেন। ................ তাৰ কাৰণেই আই বোপায়ে ঠিক কৰা মানুহকে মই এৰিলোঁ.........।"

তাইৰ কথা কেইটা কাণত পৰিলহি। লগে লগেই কিছুমান পুৰণি কথাও মনৰ মাজত সজাগ হলহি। ..........................

দহ বছৰৰ আগৰ কথা। তাই লক্ষীৰামৰ লগত পলাই আহিছিল। বাপেকে গোছৰ কৰিলে। পুলিছে সিহঁত দুয়োটাকে ধৰি লৈ গল। সিহঁতক চাবলৈ কাছাৰি ঘৰত মানুহ হেচ খালেহি। ..........নিজ ইচ্ছাৰে লক্ষীৰামৰ লগত আহিছো বুলি হাকিমৰ আগত তাই জবান বন্দী কৰিলে। বাপেকৰ গোছৰ ডিচ-মিছ হল।

একেলগে সংসাৰ কৰিবলৈ কাছাৰিৰ পৰা দুয়োটা লক্ষীৰামৰ ঘৰলৈ আহিল। .......... মনৰ বেজাৰত আঙ্গুলি ফুটাই মাক বাপেকে শাও দিলে —বাকী ইষ্ট-কুটুম্বই গালি পাৰিলে।

"হেৰ তই সদায় এইদৰে কিয় ঘৰখনত উৎপাত কৰহি? তোক পুলিচতহে দিব লাগিব।"

অসহ্য হৈ এদিন তাক ধমক দিলো। লগে লগেই উত্তৰ সি দিব নোৱাৰিলে। কিবা এটা ভাবিলে। ....তাৰ পিছত সেপ ঢুকি উত্তৰ দিলে—

"দেউতা ৰাতি হলেই দেখোন কিবাকিবি চিন্তা-ভাবনা বোৰে জুমুৰি দি ধৰেহি। মূৰটো গৰম হৈ যায়। খং চুলিৰ আগ পায়গৈ। মই একোকে কব নোৱাৰা হওঁ।"

"মদবোৰ কিয় খাব? সেই কেইটা পইচাৰে লৰা-ছোৱালীক গাখীৰকে দেখোন কিনি দিব পাৰ, নিদিয় কিয়?"

সহজ উপদেশ। কিন্তু সি উত্তৰ নিদিলে। মোৰ মুখলৈ চাই হাঁহিবৰ চেষ্টা কৰি আঁতৰি গল। তাৰ মনৰ অৱস্থাটো মোৰ পক্ষে জটিলতৰ হৈ উঠিল। ....

* * * *

টোপনিৰ পৰা সাৰপাই বিছনাতে পৰি আছিলো।

"দেউতা লক্ষীৰাম আহিছে। তাৰ কিবা এটা হৈছে। থিয় হৈয়ে থাকিব পৰা নাই। খটখটিতে বহি আছে।......"

ইমান ৰাতিপুৱাই ইয়াৰ আগেয়ে সি কেতিয়াও আমাৰ ঘৰলৈ অহা নাই। বিশেষ কিবা এটা হৈছে বুলি সন্দেহ হল। আগনিশা সিহত দুয়োটাৰ চুলিয়া-চুলি, মাৰ-কিল, চাকৰটো গৈ একৰাই নিদিয়া হলে সিহত দুটাৰ কোনোবা এটা মৰিল হেতেন। • ..লক্ষীৰামৰ হাতত এদাল-খৰি, কদমীৰ হাতত এখন পিড়াৰ চেতা। এটাই এমাৰ দিলে হেনো আনটোয়ে দমাৰ দিবলৈ বিচাৰে। শেষত কদমীক মাটিত বগৰাই লৈ তাইৰ বুকুৰ ওপৰত বহি ডিঙিটো চেপি ধৰোতেই ভাগ্যে চাকৰটো ওলাল গৈ! ...

কথাকেইটা মনত পৰাৰ লগে লগেই মই বিছনাৰ পৰা নামি আহিলো। .. ..

"তোৰ কি হল?"

সি উত্তৰ দিব নোৱাৰিলে। হাত দুখনেৰে মুখখন ঢাকি হুক হুক কৰে কান্দিবলৈ ধৰিলে। মই আচৰিত হলো।

"তোৰ হৈছে কি, কান্দিছ কিয়?"

লগে লগেই সি মোৰ ভৰি দুটাত আকোলমাৰি ধৰিলে —

"মোক গুলি দি মাৰক, দেউতা, মোক গুলি দি মাৰক মই এই সংসাৰত জীৱাই থাকিব নাপায়।"

মই অতিষ্ঠ হৈ উঠিলো

"কি হৈছে নকৱ কিয়?"

"দেউতা, মতা-তিৰোতা কাৰনো কাঁজিয়া নালাগে। লাগিলেই ভাগে। কাঁজিয়া লাগিল বুলিয়েই মতাটো এৰি থৈ যাব লাগে নে? মোৰ পোৰা কপাল, দেউতা।"

সি বিনাবলৈ ধৰিলে। ইমান ৰাতিপুৱাই সি উপস্থিত হোৱাৰ কাৰণটো বুজিলো।

"ইমান অত্যাচাৰ কৰিলে তোৰ লগত কোন থাকিব, কছোন? তাই ভালেই কৰিছে।"

"দেউতা আপুনিও সেই কথা কয় নে? তাই জানো নিচা খাও বুলি মোক নামাৰে। কিবা তাইক মই এৰি থৈ গৈছো নে? কত ভাল-ভদ্ৰ মানুহৰ ঘৰত মতা-তিৰোতাৰ কাঁজিয়া দেখিছো দেউতা, কোনেও কাকো এৰি থৈ যোৱা নাই। এই আমাডিমা কেইটালৈকো তাইৰ মৰম লাগিব নাপায় নে?"

"মই কি কৰিব লাগে ক?"

"মই কি কৰিম বুধি এটা দিয়ক দেউতা। মই নিগমে মৰিলো। দিন হাজিৰাই কৰিম নে কেচুৱাই ৰাখিম।"

"তেৰ' মই কি বুধি দিম। তাই কলৈ গল বিচাৰ। পালে হাতে ভৰিয়ে ধৰি আকৌ আনগৈ। এইবাৰ তাই যদি আহে মাৰ ধৰ আৰু নকৰিবি।"

"কত বিচাৰি যাম, দেউতা। কাৰ লগত বা গল, কোনে বা নি কোন পিনি পোৱালেগৈ!"

"শহুৰেৰৰ ঘৰলৈ যা। তালৈকে তাই গৈছে।"

"সিহতে মোক পালেই মাৰিব। আগৰ থকেই মাৰ যোৱা নাই।"

"নামাৰে যা, কোনোবা এটাক লগত লৈ যাবি।"

তাৰ সংসাৰখনো মানুহ সমাজৰে। বাহ্যিক দৃষ্টিত হয়তো কদৰ্য্য কিন্তু বিচিত্ৰতাপূৰ্ণ — তাক বিদায় দি ভিতৰলৈ সোমাই আহিলো। ...

• • •

লক্ষীৰাম তিনদিন বিছনাত। তাৰ আল-পৈচান ধৰি চাকৰটো ব্যস্ত। শ্ৰীমতীয়েই বেমাৰীৰ পথ্যৰ আৰু লৰাছোৱালী কেইটাৰ আহাৰৰ যোগাৰ দিছে।

তাৰ খবৰ লবলৈ মই নগলেও সকলো খবৰ মোৰ কাণত পৰি আছিল। .... .... ...

তিনদিনৰ আগতে কদমীক বিচাৰি সি শহু-ৰেকৰ ঘৰলৈ গৈছিল। কিন্তু শহুৰৰ ঘৰত সমাদৰৰ পৰিবৰ্ত্তে পালে চৰ, গোৰ, লাখুটিৰ মাৰ। অৱস হৈ মাটিত লুটিখাই পৰিল। চুচুৰাই নি বান্ধি থলে। —না ভাত, না পানী। একাষাৰি মাত দিবলৈকো কোনো নাহিল। তাৰ দুৰবস্থা চাই সকলোৱে আনন্দ উপভোগ কৰিলে। তাৰ বুকু ফাটি গল। তাৰ খবৰ লবলৈ, তাৰ এই মহাবিপদত তাক একাষাৰ মাত দিবলৈকো কদমী তাৰ ওচৰলৈ নাহিল। ঘৰত লৰা ছোৱালী কেইটাৰ বা কি ?.........

"গম পালি ? চম্ভালিব নোৱাৰিলে তিৰোতা খটিব নাপায় বুলি আগলৈ মনত থাকিব নে ?"

লগে লগেই থাচ্ কৰে বৰ জেঠৈৰিয়েকে তাৰ গালত চৰ এটা মাৰিলে। লাজে অপমানে লক্ষীৰামে তললৈ মূৰ কৰিলে। দুয়োটা চকু বুৰাই চকু-লোৰ ধাৰ নিছিগা হল।

সন্ধ্যাৰ লগে লগে বান্ধ খুলি লক্ষীৰামক এৰি দিলে। কিন্তু কদমীক এৰি থৈ যাবলৈ সি সত নাপালে।

"ইমান মাৰ কিল খায়ো অকলেই মই ঘৰলৈ যাম নে ?"

"কুকুৰ, লাজ নহল। আকৌ আশা পালিছ। তোৰ লগত ভাত খাবলৈ তাই আৰু নাযায়। এতি-য়াই আঁতৰ হ।"

লগে লগেই গতিয়াই গতিয়াই লক্ষীৰামক আলিত থৈ গলহি।

বাহিৰত আন্ধাৰ। শৰীৰত বিষ, অন্তৰত লাজ অপমান, শোক-দুখ। লৰা-ছোৱালী কেইটা ঘৰত অকলে। কদমীক লগত নিয়া সকলো আশা মনৰ পৰা বিসৰ্জ্জন দি অতি কষ্টে দেহটো প্ৰায় টানি নৈ ঘৰলৈ উভতিল। কদমী নোহোৱা ঘৰ। সি কেনেকৈ থাকিব।.........

শ্ৰীমতীয়ে লক্ষীৰামৰ অসুখৰ খবৰ দিবলৈ চাকৰ-টোক তাৰ শহুৰেকৰ ঘৰলৈ পঠিয়ালে। কিন্তু লাভৰ ভিতৰত চাকৰটোৱে পালে অপমান। তাৰ গোটেই অভিজ্ঞতাটোৰ বিবৰণ দি সি বেজাৰ কৰিলে।

"আই, কদমীয়ে মোক আঁতৰাই মাতি নি বহুত কথা পাতিলে। চকুৰ পানীও টুকিলে।"

"তই তাইক আহিবলৈ নকলি কিয় ?"

"কৈছিলো। একো নামাতিলে! চকু পানীহে টুকিলে। মাক-বাপেকে আহিবলৈ নিদিয়ে যেনহে পাইছো।"

পৰৰ কথাৰ মাজত সোমাবৰ সময় আচলতে মোৰ নাই।

"কথা এটা শুনিছে নে নাই ?"

"কি কথা ?"

উদ্বিগ্ন হৈ মই তেওঁৰ মুখলৈ চালো।

"কালি ৰাতি কদমী আহিল নহয় !"

"আহিল নে কি ?"

"আহিল। আমাৰ ইহঁতে চাই আহিছেগৈ নহয় তায়ো ভাল লাজকাজ নোহোৱা তিৰোতা দেও। —মাকবাপেকে হেনো আহিবলৈ নিদিয়ে। তাই বোলে মনে মনে ৰাতি পলাই আহিছে।"

মই কোনো মতামত নিদিলো। নৰচৰিত্ৰ জটিল বিষয়।.........

লক্ষীৰাম বিছনাৰ পৰা উঠিল। চাৰিওফালে এটা শান্তিৰ ভাব। পুৰণি কথা যেন সকলোৱে পাহৰি গল.........

অভ্যাস মতেই সেই দিনাৰ কাগজখন হাততলৈ মেজত বহিলোহি! কাগজখনৰ পাত লুটিয়াই থাকো-তেই হঠাৎ কদমীৰ বিকট চিঞৰ এটা কাণত পৰিলহি। মই চক্ খাই উঠিলো। কি হল বুজিবলৈ সময় লগিল।....... ভিতৰৰ পৰা শ্ৰীমতীয়েও হুৰাহুৰা লগাই মোক মাতিবলৈ ধৰিলে।

"এই পিনে বেগাই আহক। এই দুটাৰ কোনোবা এটা মৰিব এতিয়া। দুয়োটা আমাৰ



ঘৰ পালেহি........।"

লৰাছোৱালী কেইটাৰ চিঞৰ-বাখৰো কাণত পৰিলহি। —হাতৰ কাগজখন পেলাই থৈ পিছ ফাল পালোগৈ। চকুত পৰিল— লক্ষীৰাম আৰু ঘৈণীয়েক দুয়োটা আমাৰ পিছফালৰ চোতালৰ মাটিত পৰি বগৰা বগৰি কৰি যেয়ে যাকে পাৰিছে চৰ, ঢকা, ভুকু মাৰিব লাগিছে। ওচৰতে সিহঁতৰ লৰা ছোৱালী কেইটাই থিয় দি বৈ থাকি হিয়ালি-জিয়ালি হৈ কান্দি আছে। গোটেই দৃশ্যটো মোৰ দৃষ্টিত অকল ভয়াবহেই নাছিল.হৃদয় বিদাৰক এটা ঘটনাৰ দৰেই দেখা দিলেহি।

"লক্ষীৰাম কি কৰিছ ? মানুহজনী মাৰ নে ? তই পাগল হৈছ নে কি ? সিদিনাৰ কথা পাহৰিলিয়েই নে ?"

মোৰ মাতটোৱে বিজুলী শক্তিৰ গতিতেই যেন কাম কৰিলে। ময়ো আচৰিত হলো। মই মাত দিয়াৰ লগে লগেই ঘৈণীয়েকক এৰি থৈ তাৰ ঘৰৰ ফালে লক্ষীৰাম লৰ মাৰিলে। খহি পৰা কাপোৰকানি থিনি ভাল কৰি লৈ কদমী থিয় হল। খহি পৰা খোপাটো দুয়োটা হাতেৰে বান্ধি গোচৰ দিলেহি—

"ইয়াৰ লগত নো মই কেনেকৈ থাকো দেউতা ? মুতনিবোৰ খাই আহি সি কি খন কৰিছেহি নিজ চকুৰে দেখিলেই নাই। পিছে তাৰলাজ নাই, আকৌ কাইলৈ পাহৰিব।........."

তাই ফোপাবলৈ ধৰিলে।

"ঘৰলৈ যাগৈ। তহঁতৰ এইবোৰ দেখি দেখি আমাৰ লৰাছোৱালীও বেয়া হব। যাগৈ, যাগৈ ইয়াত আৰু নেথাকিবি।"

মই বিৰক্তি বোধ কৰিছিলো।

"সিদিনা ককাইহঁতেও তাক ভালকৈ এপালি দিলে। পিছে কি হব, লাজ নাই। গাৰ বিষো গল, মৰাৰ কথাও সি পাহৰিলে।"

তাই আঁতৰি গল।..........

"ইস্ ইহঁতবো যে কথাবোৰ! এনে লাজ কাজ নোহোৱা মানুহ কতা!"

শ্ৰীমতীয়ে মন্তব্য কৰিলে।—

মোৰো মনটো গধুৰ হৈ পৰিছিল।

"চোৱা, সংসাৰত ভাল বেয়া বহুত ধৰণৰ মানুহ আছে। ইহঁতো এটা ধৰণৰ। ইহঁতৰো এখন সমাজ আছে। সেই সমাজৰ কথা-বতৰাবোৰ তোমাৰ মোৰ সমাজতকৈ বেলেগ। এইটোৱেই ইহঁতৰ জীৱন। ...... আচৰিত হব লগা কথা একো নাই।......"

আকৌ মেজখনলৈ উভতি আহিলো। খবৰৰ কাগজত মনটো বহুৱাবলৈ চেষ্টা কৰিও নোৱাৰিলো! বাৰে বাৰে লক্ষীৰাম আৰু কদমীৰ কথাই মনত পৰিবলৈ ধৰিলে।...... এই সকলো অশান্তিৰ মাজে-দিয়েই সিহঁতৰ দিনবোৰ গৈ আছে। লোক সমাজৰ দৃষ্টিত সিহঁত স্বামী-স্ত্ৰী। সিহঁতৰ মাজত কিবা এটা আকৰ্ষণ, কিবা অনুৰাগ।

...... সকলো বিকৃত অৱস্থাৰ ভিতৰেদিয়ে সেই আকৰ্ষণ, সেই অনুৰাগ কেন্দ্ৰ কৰিয়েই যেন সিহত ঘূৰি আছে। তাতেই সিহতৰ শান্তি, তাতেই তৃপ্তি, তাতেই জীৱন ধাৰণৰ সাৰ্থকতা।

কাগজ পঢ়া আৰু নহল। কাগজ খন সামৰি থৈ বিছনাত দীঘল দি পৰিলোহি।.........

—:০:—

ঠাইৰ অভাৱত এহ সংখ্যাত "চাহিত্য" আৰু "মধুৰেণ" প্ৰকাশ কৰিব পৰা নহল। পাঠক পাঠিকা সকলে যেন ক্ষমা কৰে।

ৰঙালি বিহুৰ বাবে পাঠক-পাঠিকা, গ্ৰাহক-গ্ৰাহিকা, জাননী দাতা আদি সদৌটিলৈকে বিহুৰ আন্তৰিক ওলগ জনালোঁ।

—সম্পাদক

# —ভীম—

শ্ৰীহেমচন্দ্ৰ শৰ্ম্মা।

গালত পুখুৰী আৰু ডিঙিত ঘটি লৈ কলিমন বা নালীয়াই ভাওনাত দ্ৰৌপদীৰ বচন মাতে – অৰ্থাৎ দ্ৰৌপদীৰ ভাও লয়—লওক। বস্ত্ৰ হৰণ কৰোঁতে শাৰী থহি তলত পটলুং ওলায়— ওলাওক। সেইবোৰ সহ কৰিব পাৰি। কিন্তু ভীম বুলি আঙুলিয়াই নিদিলে ভীম বুলি চিনা টান— অৰ্থাৎ জেওৰা থৰিব দৰে শুকুৰা কলাফুল লৈ ভীমৰ বচন মতা! অসহ্য! বলিষ্ঠ এফোচা দাড়ি বা টিলটিলীয়া পেটটি থাকিলেই ভীম হব নোৱাৰে।

আজি কালি ভীম পাবলৈকে নাই— অৰ্থাৎ ভীমৰ দৰে ভাও লোৱা লোক। সীতা বা দ্ৰৌপদীৰ কাৰণে দাড়ি চুঁচি অনেক ডেকা আগবাঢ়ি আছে, কিন্তু ভীমৰ কাৰণে সাতখন গাওঁ চলাথ কৰিব লাগিব। শেষত গৈ যিটি ভীম থিয় হব, কি চাবা— তেওঁ গদা ডালকে বলে নোৱাৰে আৰু দুঃশাসনৰ বুকু ছিৰি তেজ পিওঁতে নোম শিয়ঁৰি উঠাৰ ঠাইত গোটেই ৰভা তলত উঠে হাঁহিৰ গিৰগিৰণি! সেইজন ভীমৰ মুখত বকাসুৰ বধ কৰা, সাত নাও ভাত খোৱা শাম গছ জোকাৰি ৰাজকোঁৱৰ সকলক পেলোৱা ইত্যাদি বচনবোৰ নো কোনে সহ্য কৰিব? সেইবোৰ বচনে তেওঁৰ মুখত, অৰ্থাৎ আজিৰ কাণত হাস্যৰস যোগায়।

ভীমৰ আঙুঠিটোৰ বেৰ হেনো আমাৰ এসপ্তাহ চলা পানীৰ ঢোলটোৰ সৈতে সমান। নগা পাহাৰত হেনো আমাৰ ভীম অৰ্থাৎ গদাপাণৰ ভৰিৰ খোজ এটা পোৱা গৈছে— তাৰ দীঘ আমাৰ হাতেৰে কেইবা হাতো! এইবোৰ কথা শুনিলে আমাৰ অৰ্থাৎ লেডিজ চেণ্ডেল দি চলাই দিব পৰা সকলৰ, অবাক লাগে, হাঁহি উঠে। উঠিবই— আজিৰ দিনত সেইবোৰ কথা অবিশ্বাস্য।

বীৰত্বৰ ৰস সঞ্চাৰ কৰিবলৈ মহাকাব্য দুখনত কেইবা জনো ভীম আছে। কুম্ভকৰ্ণৰ কথা চাওক। ছমাহ শোৱে! তেওঁৰ টোপনি ভাঙিবলৈ ৰাক্ষস বিলাকে চিয়ঁৰে, ঢোল-ডগৰ বজায়। আৰু টোপনিৰ জোখাৰেই তেওঁৰ খাৱন। পৰ্ব্বত প্ৰমাণ ভাত, জীৱন্ত পশু। সেইদৰে হনুমান— পৰ্ব্বতটো কেঞা আঙুলিৰেই কঢ়িয়াই নিয়ে! ইপিনে ভীমক চাওক। বকাসুৰে নানা খাদ্যৰ লগত খাবলৈ ভীমক বহুৱাই ৰাখিছে। শেষত ভীমে সকলো খাদ্য খাই শেষ যে কৰিলেই বকাসুৰকো গছ উঘালি তাৰেই কোবাই বধ কৰিলে। ঘটোৎকচ যে তেওঁতকৈয়ো একাঠি চৰা। যুদ্ধত বান বিদ্ধ হৈ ধৰাশায়ী হ'ল আৰু তেওঁৰ গাৰ ভৰত মৰিল কোটি কোটি সৈন্য।

কবিসকল দূৰদৰ্শী। এই বীৰ সকলৰ কাৰ্য্যই যে, পঢ়োতাক এদিন হঁহুৱাব পাৰিব, তাক যেন তেওঁলোকে জানিছিল। আমাৰ ৰাম সৰস্বতীয়ে ভীমক লৈ দেখাদেখিকৈ হাস্যৰস সৃষ্টি কৰিলে!

ভীমইঁতে কাব্যত হাস্যৰস যোগাইছেনে কি কব নোৱাৰো; কিন্তু কুম্ভকৰ্ণ, হনুমান, ভীম ইত্যাদিৰ কাৰ্য্য দেখিলে বা শুনিলে আমাৰ যেতিয়া হাঁহি উঠে, তেতিয়া ভাবো— বীৰৰসৰ লগত হাস্যৰসৰ কিবা সম্বন্ধ আছে হব পাই। নহলে আজিৰ দিনত ভীমক দেখিলে হাঁহি উঠে কিয়! আজিৰ দিনৰ চাৰ্চ্চিলৰ ভীমে দিনে চাৰিটা কণী, আধেৰ মঙহ, আৰু তিনিপোৱা গাখীৰ খোৱা শুনিলে আমাৰ হাঁহি উঠে। ঘৰৰ সুস্বাস্থ্যৰ লৰাটোক আমি কওঁ— এইটিৰ খাই খাই গলধন ধৰিছে, গা হে বঢ়াইছে, কামৰ ফালে হলে একো নাই। শকত মানুহক লৈ নানা হাঁহি উঠা কথা। হাতীত উঠি যাওক শকত মাউত। হাতী নেদেখা লৰাটোক মাকে, "সৌটো



হাতী, চা" বুলি দেখুৱাওঁতেই ল'ৰাৰ প্ৰশ্ন— "কোনটো হাতী মা, খোজ কাঢ়ি যোৱাটো নে পিঠিত উঠি যোৱাটো?" আকৌ ক্ষীণোৱা বাৰ্ণাৰ্ড শ্বক দেখি শকত আৰত চেষ্টাৰটনে কলে,— "আপোনাক দেখিলে বিলাতলৈ নতুনকৈ অহা মানুহজনে ভাবিব ইয়াত দুৰ্ভিক্ষ হৈছে।" বাৰ্ণাৰ্ড শ্বৰ উত্তৰ,— "আপোনাক দেখি সেই মানুহজনে ভাবিব— দুৰ্ভিক্ষৰ কাৰণ আপুনিয়েই।" ইত্যাদি কত হাঁহি উঠা কথা!

আজিকালি ভীম হবলৈ যোৱা দুঃসাধ্য বা অপচেষ্টা। দিনে চাৰিটাকৈ কণী, তিনিপোৱা গাখীৰ— এজনে খাবলৈ পোৱা দূৰৰ কথাই— তেৰখন মুখৰ পৰিয়াললৈও মিলা টান। দিনে একোটাকৈ কণী গিলিলেও পিছ পাকতে ডাক্তৰৰ বৰি গিলিব লগা হয়। শুধ গাখীৰ এটকা পেটলৈ গলে পেট পকাই আহিব— অভ্যাস নাই, আমি গুৱালৰ পানী দিয়া গাখাৰতেই যে অভ্যস্ত। আজিৰ দিনত গোট কঠাল এটি ধৰা সাধু কথাৰ নিচিনা। পানী লাগিব বুলি গোটেৰে আম এটা খাবলৈ ভয় লগা হৈছে। বিয়াই সবাহে জেদ মাৰি সৰহকৈ খোৱা দিন গ'ল— আজিৰ দিনত "চুই অহা"টোহে ভাল শুনায়।

বেজবৰুৱাৰ ধেমেলীয়া নাটক এখনত এজন বিলাসী ৰোগী আছে তেওঁক ক্ষীণোৱা বুলি কলে ভাল পায়। আমাৰ বহুতৰে আজি-কালি বেমাৰ-আজাৰ এটা থকা বিলাসৰ দৰেই হৈ পৰিছে। টনিকৰ ওপৰত জীয়াই থকা, দৰৱৰ বটলে পেৰা ভৰি যোৱা, ডাক্তৰৰ অহা-যোৱা ইত্যাদি কথা কৈ মেলি আমাৰ ভাল লাগে। আধুনিক বঙলা কবি এজনে লিখিছে—

"আমাদেৰ জীবনে নেই জলন্ত মৃত্যু···· ···
আছে শুধু স্তিমিত হয়ে নিভে যাওয়া,
—ফ্যাকাশে ৰুগ্ন তাই সভ্যতা।"

চিন্তা-চৰ্চ্চা নাথাকিলেই মানুহ শকত হয় বোলে আৰু সেই কাৰণেই নে কি— শকত মানুহ এজন দেখিলে আমি তেওঁৰ চিন্তা-চৰ্চ্চা নাই অৰ্থাৎ উনৈচত বা' বলাই ফুৰা লোক বুলি হাহোঁ। ক্ষীণ ককাল লাহি গা আমাৰ আজি সাধনাৰ বস্তু। আমাক উৎসাহ দিবলৈ প্ৰবাদৰ অন্ত নাই— 'নাৰীক ভাল দেখি যেতিয়া তেওঁৰ বিয়া হয়, পশুক ভাল দেখি যেতিয়া ই শকত হয়, জ্ঞানী বা সাধকক ভাল দেখি যেতিয়া তেওঁ ক্ষীণায় বা লাহি হয়।' শাস্ত্ৰতো আছে 'বুদ্ধিৰ্যস্য বলং তস্য।' এনেকুৱা বস্তা এটা কঢ়িয়াই নিব পৰাত বাহাদুৰি নাই, বাহাদুৰি— কঢ়িয়াই নিয়াব পৰাত। ব্ৰহ্মপুত্ৰখন সাঁতুৰি ইপাৰ সিপাৰ হব পৰাত কি বাহাদুৰি? বাহাদুৰি— পইচা খৰচ নকৰাকৈ, অথচ ভৰিৰ আঙুলি নিতিতাকৈ ইপাৰ-সিপাৰ হ'ব পৰাত। ডেৰকুৰি মাইল চাইকেল কৰি অহাজনে আজি পুৰস্কাৰ নাপায়— তেওঁক কোৱা হ'ব— সময়ৰ মূল্য নজনা মূৰ্খ। আজি সেই কাৰণে বস্তা কঢ়িয়াব পৰা জনে দুপইচা পুৰস্কাৰ পালে কঢ়িয়াই নিয়াব পৰা জনে পায় দুটকি।

সেই কাৰণে ভীমইঁতে আজি আমাৰ পৰা বাহাদুৰিৰ পৰিবৰ্ত্তে পায় হাঁহি। কাব্যৰস হেনো অনন্ত।— অৰ্থাৎ ইয়াক যিমান উপভোগ কৰা যায় সিমান বাঢ়ে। কথাষাৰ সঁচা। মানুহ যিমানেই সভ্য হৈ আহিছে, যিমানেই সৰুফুটীয়া হৈ আহিছে —সিমানেই ভীমইঁতে তেওঁলোকৰ পৰা আঁতৰি গৈছে আৰু বেছি হাঁহি আদায় কৰিব পাৰিছে। এহেজাৰ বছৰৰ মূৰত ভীমইঁতে আমাক বা কিমান হঁহুৱায়।

—০—

# বৰ্ষ ফলম

[ ১৮৭৬ শক ]

শ্ৰীফৰিঙা কাকতি

বুঢ়া-মেথাবোৰ চাপি আহা নতুন পাঁজি পুথি চাওঁ ।
ইবাৰ দেখো বৰ্ষফলটো কেনেবা যেনহে পাওঁ ॥
ৰাইজেই ইবাৰ ৰজা হব অলপো সন্দেহ নাই ।
মন্ত্ৰী হব তাৰে মাজৰে বাচক-বনীয়া চাই ॥
উদয় গিৰিত নিতউ পুৱাই, এইবাৰ ওলাব বেলি ।
অস্ত গিৰিত মাৰ যাওঁতেই, কব সন্ধ্যা বুলি ॥
আঁউসীৰ নিশা এন্ধাৰ হ'ব, জোনটো নেপাব দেখা ।
পূৰ্ণিমাত আছে জোনালী ৰাতি, ৰাজ্যৰ ভাগ্যত লেখা ॥
সাতোটা দিনত সপ্তাহ ঘূৰিব, তিৰিচ্ দিনত মাহ ।
তিনিশ তিনিকুৰি পাঁচোটা দিন, বছৰত যাব জাহ ॥
শীত কালত কুঁৱলি পৰিব, লাগিব ঠেতুৰা জাৰ !
জেঠত হব টিকাফটা ৰ'দ, ঘামবোৰ ওলাব গাৰ ॥
কাতিৰ সতাতে ঘুণুলা কঠা, সোপাকে জাপি লব ।
গৰম দিনত গোটেই বিলাক, তেহেলৈ আঁতৰাই থব ॥
বিষুব ৰেথাৰ লগ্নহেতু, তিনিটা বিহু-য়েই আছে ।
প্ৰতিটো বিহু গণনাত পৰিছে, উৰুকা দিনাৰ পাছে ॥

পাতাল গণনা কৰিবই নোৱাৰি তথাপি কলো টানি ।
ভূমিকম্প হব লাগিলেই, লৰিব পৃথিবী খানি ॥
ইবাৰ 'দৈয়সত' এজাক গাভৰু হব লাগিব বিয়া ।
কে-থনমান হব "চিভিল মেৰেজ" ওৰফে পলুৱাই নিয়া ॥
অ-ঘৰিণীবোৰ ঘৰিণী হবগৈ, দুৱাৰে বগাব চাঙ্ ।
অ-তামুলী জাক তামুলী হবগৈ, সেলেঙাই বোৱাব বাঙ্ ॥
গৰ্ভাৱতীৰ সন্তান হব, মাইকী কিম্বা মতা ।
হয়বা সিজন সাধুৱে হব, নহলে কাণ কটা ॥
কেঁচুৱাই কান্দিব তেঁৱা, তেঁৱা, সময়ত ফুটিব মাত ।
চকুৰে চাব, মুখেৰে খাব, ভৰিৰে বুলিব বাট ॥
ৰাস্তাত চলাব মটৰ, চাৰ্কেল, নদীত পানচৈ নাওঁ ।
সাগৰৰ বুকত জাহাজ চলাব, কৰি কাওঁ-কাওঁ ॥
জলভাৰি পৰিছে ভীমসেন, বাৰিষা বৰিব টানি ।
খালে ডোঙে ওপচি পৰিব, বান বাৰিষাৰ পানী ॥
যোল অনাই এইবাৰ, এটকা হব, চাৰি অনাত মহা ।
তিন দিনতে তিলনি পাৰিব, দহত পৰিব দহা ॥



ৰাহু-কেতুৰ মিলন হেতুকে, দেশৰ কল্যাণ হব ।
ৰাহু-টেটুত ধৰি ৰাইজৰ পূজা-পাতল লব ॥
চট্ফটাই এজাক থাকিব, সংক্ৰামক ৰোগত পৰি ।
এজাকৰ জীৱ, লৰা-যমে নিব, নেলুপাটত ধৰি ॥
মৰা মাত্ৰেই কোনো জীৱৰে এইবাৰ নেথাকে জীৱ ।
জীয়াই থাকিলে আহাৰ খাব, পিয়াহত পানী পিব ॥
চাহ সিজাব গৰম পানীত, জুইৰে ৰান্ধিব ভাত ।
গছৰ হব তলৈ শিপা, ওপৰত ডালি পাত ॥
ৰাইজৰ চকুত ধূলি মাৰিও "সেৱক" পাব নাম ।
বহুত গৰীপৰ নামাকৰণটো, হব ধনীৰাম ॥
সকলো চৰাইয়ে মাছ খালেও মাছোৰোকাৰে কাম ।
লেজুত ধৰি বল নিদিলেও, বহুতৰ জলিব নাম ॥
বহু চাকৰিয়ালে "প্ৰমোচন" পাব, মাখিব পাৰিলে তেল ।
বা, কৰিব জানিলে, কাৰোবাৰ লগত, ভিতৰে ভিতৰে মেল ॥
এজাক খাব, তিঘিল ঘিলাই এজাকে ফুৰিব মাগি ।
জাৰে-জহে এজাকে ধোবাং জুৰিব, এজাকে থাকিব জাগি ॥
এই বছৰো উকীল মোক্তাৰে, খাবই কথাকে বিকি ।
গোচৰ আদি "ডিচ্মিচ্" হলেও ফিজটো লব টিকি ॥
মতা-তিৰোতাৰ কিছু খৰিয়াল, নিজেই হব আপোচ ।
তিৰোতা সেৰুৱা, ডাঙ্কাটিয়েহে, লব থাপোচ্-থাপোচ্ ॥

অধিক আচামী খালাচ পাব, কিছুৱহে হব "জেইল" ।
প্ৰমোচন নোপোৱা ছাত্ৰ সোপাই, এইবাৰ হব "ফেইল" ॥
জঙ্ঘলত হব, গছনি কাঠনি, পাহাৰত পাবা শিল ।
হোৱাই নোহোৱাই বহুতেই ইবাৰো, লব ঠিয় কিল ॥
কিছুমান শস্য থৰত আঁতিব, কিছুমান জলে থব ।
ৰজাৰ খাজানা, স্থানীয় কৰবোৰ, টিকাত কিলাই লব ॥
এইবাৰ যদি কৰবাত কিবা হয়হে নিৰ্ব্বাচনী ।
স্কুলঘৰে গা-বোৰ তিয়াব, সানি চূণৰ পানী ॥
গাভৰু ছাগীৰ ঠুন্বিত গজিব, ল-ম ল-ম ডাৰি ।
সভাত হব কামত নোহোৱা প্ৰস্তাৱ, অধিক ভাৰি ॥
টোপনি ধৰিলে সকলো জীৱৰ, দুচকু নিয়াব জাপ ।
বহুতে বাটত উচাপ খাব, লেজুকে বুলিয়েই সাপ ॥
বটুৱা ঘোঁৱাই মাহকেই পাব, ভালেহে নেপাব ঘাঁহ ।
হাত থাকিলেও বান্দৰে ইবাৰো, সাজি নলব বাহ ॥
তিৰোতা মৰিলেই বৰলা হব, স্বামী মৰিলে বাৰী ।
একে একে দুইয়েইহে হব, তিনিয়ে একেও চাৰি ॥
যুদ্ধ হলে "কণ্ট্ৰল" আদিৰ আকৌ পোখাব ডাল ।
বোন্দা মেকুৰীয়ে পোৱামাছবোৰ, ইবাৰো পাব ভাল ॥
কাউৰীয়ে চুৰনিত ৰমলিয়াই থাকিব ইবাৰ বৰ্ষফলে ।
দিন ফেউৰাৰ চিঞৰত ইবাৰ ফৰিঙাৰ কাণ গেলে ॥

—:∘:—

# পুথি-পৰিচয়

**পুৰালৈ সময় কিমান?** কবিতা পুথি, প্ৰথম প্ৰকাশ।

লিখক— শ্ৰীমনেশ্বৰ বৰা, পৰীয়াপাম, কামপুৰ। প্ৰকাশক— শ্ৰীচেনিৰাম মোক্তাৰ আৰু শ্ৰীগোপীৰাম বৰা; পৃঃ ১০+৩৯। দাম থনে তিনি সিকি।

সুসাহিত্যিক শ্ৰীডিম্বেশ্বৰ নেওগ এম, এ, বি, এছ, চি, বি. টিৰ "চিনাকি" সম্বলিত। নেওগ দেৱে লিখিছে— "বৰ্ত্তমান যুগৰ কবিতাত যদি সৌন্দৰ্য্য আৰু মাধুৰ্য্যৰ পৰিবৰ্ত্তে আমি হুটা আৰু থহতা গুণহে দেখা পাওঁ, তাৰ পৰা বুজিব লাগিব আমাৰ বৰ্ত্তমান জীৱন তেনে হুটা আৰু থহতা হৈছে; গতিকে সাহিত্যত সিও স্বভাৱিকেই। ন-ধানৰ চাউলে পোনতে পেটৰ অসুখ-বিসুখ ঘটাবই, দিন যোৱাৰ লগে লগে তাৰ সেই দোষ যাব নিশ্চয়।…… 'পুৰালৈ সময় কিমান?' পদ-গ্ৰথিত আমি আধুনিক কবিতাৰ ওপৰত বৰ্ণোৱা প্ৰায়খিনি গুণকেই দেখা পাওঁহক।" ইত্যাদি। ন-যুগৰ কবিতা বুলি আখ্যা পোৱা 'পুৰালৈ সময় কিমান?'ৰ সকলো কবিতাৰ ভিতৰতেই নেওগ দেৱে বৰ্ণোৱা গুণ বা দোষ খিনি আছে। গতিকে "দিন যোৱাৰ লগে লগে তাৰ সেই দোষ যাব নিশ্চয়" বুলি ক্ষান্ত থাকোঁহক।

অকল বৰ্ত্তমানৰে কিয়, জীৱন সদায়েই থহতা আৰু হুটা। আৰ্ট বা কলাই জীৱনৰ এই থহতাখিনি গুচাই কিবা এটা মিহি আমাক দিবলৈ বিচাৰে। কলাকাৰৰ কোমল মনৰ পৰশে জীৱন আৰু জগতক মধুৰ কৰিব বুলি বিশ্বজনে বাটচাই থাকে। কিন্তু অনুকৰণ আৰু কলাৰ বাহিযোৱা নিমিলে। নতুন বাটত আগবঢ়া কবিয়ে নতুনৰ 'সৃষ্টি' কৰক, এয়ে আমাৰ বাঞ্ছা।

—০—

**গল্প আৰু কবিতা: মাহেকীয়া আলোচনী।** ১ম, ২য়, আৰু ৩য় ৪ৰ্থ সংখ্যা (১ম বছৰ)।

সম্পাদনা সমিতিৰ হৈ শ্ৰীশৰৎ ৰায় বৰুৱা দ্বাৰা প্ৰকাশিত। দাম থনে ৵০ অনা। ৩ ফৰ্ম্মাকৈ ছপোৱা। ঠিকনা— চৌকিডিঙ্গি, ৰিহাবাৰী, ডিব্ৰুগড়।

সমবায় পদ্ধতিৰে নিৰ্দ্দিষ্ট সম্পাদক এজন নোহোৱাকৈ এখন সমিতিৰ দ্বাৰা সম্পাদিত হৈ ওলোৱা এই অভিনৱ আলোচনীখনত বৰ্ত্তমান কেৱল গল্প আৰু কবিতাহে প্ৰকাশ কৰা হৈছে। ন সাহিত্যানুৰাগী সকলৰ উদ্যম শলাগিবলগীয়া। সুস্থ জাতি গঢ়ি তুলিবলৈ সুস্থ সাহিত্যৰ প্ৰথম প্ৰয়োজন। বৰ্ত্তমান প্ৰকাশিত "গল্প আৰু কবিতাৰ" গল্প আৰু কবিতা সমূহত সুস্থতাৰ চিত্ৰ দেখা নগলেও ভৱিষ্যতে দেখা পোৱাৰ আশা আছে। অনেক 'মৌলিক' ৰচনাতকৈ "এটুকুৰা ৰুটি আৰু টিনৰ কফিন"ৰ ধৰণৰ গল্প কিছুমান অনুবাদ কৰি প্ৰকাশ কৰিব পাৰিলে এটা মূল্যৰ কামেই হয়। আলোচনীখনৰ বৰ্ণাশুদ্ধিৰ ফালে আৰু অলপ চকু দিয়া ভাল। সম্পাদনাৰ সমিতিৰ উদ্যম আৰু সুচিন্তাৰ ফলৰ সোৱাদ সমূহ ৰাইজে পাওক এয়ে আমাৰ কামনা! অসমীয়া আলোচনী চলোৱা কামটো কেনে দুৰূহ, তাক ভুক্ত ভোগীয়েহে জানে। আশা কৰোঁ সম্পাদনা সমিতিৰ উদ্দেশ্যত ৰাইজে সহযোগিতা কৰিব।

—০—

**'যুগবাণী' আৰু 'বনপ্ৰভা'** (কবিতাৰ পুথি)

লিখক শ্ৰীৰজত বৰুৱা, ফুলগুৰি। [পৃঃ ক্ৰমে ২২ আৰু ॥০+৩৯, দাম আঠ অনা আৰু দহ অনা, লিখকৰ দ্বাৰাই প্ৰকাশিত] 'বনপ্ৰভাৰ প্ৰভা বাঢ়িছে কবি শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱা দেৱৰ 'পাতনিৰ দ্বাৰা। 'যুগবাণীৰ পাতনি লিখি দিছে অধ্যক্ষ শ্ৰীহেম বৰুৱাই। "যুগবাণী'ৰ বিষয় বস্তু বিবিধ। ইয়াৰ সম্বন্ধ যুগৰ লগত।" 'বনপ্ৰভাৰও বিষয় বস্তু 'বনফুল'ৰ পৰা আৰম্ভ কৰি 'মগনীয়া আদি কৰুবান্তৰ কথাটৈও ব্যাপ্ত হৈছে।



"বনপ্ৰভা'ৰ পৰা 'যুগবাণী'লৈ কবিৰ এখোজ প্ৰগতি চিন দেখা পোৱা যায়। কবিৰ এই খোজ যেন বৈ নাযায়, সেইটোহে কামা; যুগবাণীৰ—

তুমিহে সুন্দৰ, অ! মনোহৰ,
মানৱে তোমাক বিচাৰি যাব,
অন্ধকাৰময় জগত খনে
হেৰোৱা সত্য তোমাতে পাব।

আৰু— "পথাৰত লখিমীৰ
সুফুলে সোণৰ ফুল
অভিশাপ আজি ঈশ্বৰৰ,"

আদি শাৰী বিলাক আদৰণীয়।

'তপত তেজৰ বান' কবিতাৰ মাজত কৰা প্ৰতিজ্ঞা—

চিৰ উপাসিত অসম মাতৃৰ
পূজিম নিতে শোনিমা বোলৰ
সেই তথা'ন চৰণ।— যেন কবিয়ে

কেতিয়াও নাপাহৰে। ইংৰাজ কবিৰ অনুকৰণত লিখা 'বনপ্ৰভা'ৰ ধাননিত নামৰ কবিতা সুৱদী হৈছে। 'যুগবাণী'ৰ কবিৰ সন্মুখত দেখা দিয়া পৃথিৱীখন সঁচাকৈয়ে দুখ লগা। "আজিৰ মানৱ" কবিতাত তাৰ এটা জিলিঙনি ওলাইছে। কিন্তু এই মানুহৰ পৃথিৱীখন কোনো দিন আৰু সুন্দৰ হৈ নুঠিবনে? কবিৰ পৰা আশাৰ পোহৰ পাবলৈ জগত বাটচাই থাকে। আমি আশাকৰো শ্ৰীবৰুৱাৰ ইয়াৰ পিছৰ প্ৰকাশত সঞ্জীৱনী সুৰ শুনিবলৈ পাম-হক। "কবি হৈ যা জীৱন জয়" কবিতাৰ পূৰ্ণ-বিকাশ কবিৰ ভৱিষ্যতত দেখা দিয়ক :—

ভক্তিৰ প্ৰদীপ জ্ঞানৰ শলিতা
দে হেৰ নৰ হিয়াত জালি,
প্ৰেম প্ৰীতি ৰস বাগৰি যাওক
ৰুদ্ধ হিয়াৰ দুৱাৰ খুলি।"

• ° °

পঞ্চৰতন ফাৰ্ম'ৰ (হাউলী) দ্বাৰা প্ৰকাশিত "প্ৰাচীন কামৰূপ পঞ্জিকা" (১৩৬১ চন) পাই প্ৰকাশকক ধন্যবাদ জনাইছোঁ। পঞ্জিকাত নানা তৰহৰ উন্নতি সন্তোষজনক হৈছে। আশাকৰোঁ অসমীয়া জন সাধাৰণে ইয়াক মৰমৰ চকুৰে চাব।

—০—

*শিক্ষক আৰু ছাত্ৰসকললৈ গোহাৰি*

## সাধাৰণজ্ঞান আৰু স্বাস্থ্যপাঠ

নতুন কেৰকুলাম অনুযায়ী লিখা; লিখক— শ্ৰীযাদৱ চন্দ্ৰ দাস, শিক্ষক।

মাননীয় ডিঃ পিঃ আই মহোদয়ে এইবাৰো ২য়, ৩য় মানৰ লৰাৰ কাৰণে মঞ্জুৰ কৰিছে। কোনোৱে মঞ্জুৰ নোহোৱা বুলি কলেও বিশ্বাস নকৰে যেন। এই কিতাপৰ ওপৰতে অসমৰ একমাত্ৰ গৌৰৱৰ বস্তু "পাচীন কামৰূপ পঞ্জিকা" চলি আছে। গতিকে আপোনালোকক আগৰ দৰে সহানুভূতি দেখুৱাবলৈ একান্ত অনুৰোধ জনালোঁ।

ষ্টকিষ্ট— ১। লয়াৰ্চ বুক ষ্টল গুৱাহাটী ২। দত্তবৰুৱা, নলবাৰী, ৩। ভট্টাচাৰ্য্য এণ্ড সন্স, যোৰহাট, ৪। বি. আৰ, কলিতা, তেজপুৰ।

বিনীত—লিখক

পঞ্চৰতন ফাৰ্ম্ম. পোঃ হাউলী, (কামৰূপ)

# ওঁ নমো ভগবতে বাসুদেবায়

**(১৩৬১ চনৰ দ্বাদশ ৰাশিৰ বহাগ মাহৰ ফল!)**

**মেষৰাশিৰ**—এইবছৰৰ গুৰু সঞ্চাৰ নক্ষত্ৰফল বেয়া; ফল পীড়া বা মৃত্যু, বৰ্ষফলমতে ধনক্ষয়, গুৰু তৃতীয়ত, ফল, ক্লেশ আৰু শোক। শুভফল বিবাহ, গৃহ-নিৰ্ম্মাণ, যান বাহন আদি লাভৰ যোগ আৰু কৰ্ম্মোন্নতিৰ যোগ দেখা যায়। স্ত্ৰীৰোগ বা গৰ্ভনষ্ট আৰু নিজৰ পীড়া যাব। ১৯ বছৰ বয়সৰ পৰীক্ষাৰ্থীৰ শুভফল হব। (২০ পৰা ২২ বছৰৰ) পৰীক্ষাৰ্থীৰ অশুভ। ২৪, ২৫ বছৰৰ ছাত্ৰৰ পৰীক্ষাৰ শুভফল আৰু শুভ চাকৰী লাভ। ১৫ বহাগলৈ শুভাশুভ ফল, ২২ বহাগৰ পৰা অতীব অশুভ ফল দেখা যায়।

**বৃষ**—১৩৬১ চনৰ গোচৰীয় ফল অতীব শুভ হব। পৰীক্ষাৰ ফল শুভ হব। (২১ পৰা ২৩ বছৰৰ) বৃষ ৰাশিৰ পৰীক্ষাত অশুভ। বিবাহাদি মাঙ্গল্য কৰ্ম্ম এই মাহত হব। দেশ ভ্ৰমণ, ৰাজানুগ্ৰহ আৰু মহৎ বন্ধু লাভৰ যোগ আছে। ১২ বহাগলৈ বেমাৰ আৰু মটৰ আদিৰ ভয় দেখা যায়।

**মিথুন**—গোচৰীয় ফল বেয়া, বৃথা ভ্ৰমণ, বন্ধুই শত্ৰু, মৰাপাটৰ ব্যৱসায়ত লোকচান, অংশীদাৰৰ লগত মনোমালিন্য, স্ত্ৰীৰোগ, গৰ্ভনষ্ট পশুহানি, চাকৰৰ দিগদাৰ, চুৰযোৱা (২৪-২৬ বছৰৰ) মিথুন-ৰাশিৰ পৰীক্ষাত আৰু চাকৰীৰ ফল বেয়া। এই মাহত সুটীয়াকৈ ব্যৱসায় কৰিলে লাভবান হব।

**কৰ্কট**—এই মাহত দেশ ভ্ৰমণ নাইবা সমুদ্ৰ ভ্ৰমণ যোগ আছে। বহুধৰণৰ শুভকৰ্ম্ম এই মাহত হব। ২৭ বছৰলৈকে বিদ্যা চাকৰীত শুভ ফল। কিন্তু চিভিক্স, বোটানি, গনিতৰ ফল বেয়া। মাহৰ প্ৰথম তাৰিখ, ৯, ১০, ২০, ২১, ২৭, ২৮ তাৰিখত সাবধান থকা উচিৎ।

**সিংহ**—বহাগ মাহৰ ফল শুভ, বহুশুভ কৰ্ম্ম আৰু নতুন সম্পত্তি লাভৰ যোগ আছে। নতুন চাকৰী এই মাহতে হব। ২৩ বছৰলৈ পৰীক্ষাৰ ফল শুভ হব। পুলিছ ডাক্তৰী, এচ, ডি, চি আৰু এক্সাইজৰ চাকৰীত উন্নতি হব। জুই আৰু ইলেক্ট্ৰিকত শুভ ফল। ১৩, ১৪, ১৫, ২৬, ২৭ বহাগৰ ফল অশুভ। বাত পিত্তৰোগ, মাতৃ মাতুল আৰু মহৎ বন্ধুলৈ অশান্তি।

**কন্যা**—বহাগৰ প্ৰথম ভাগত বিবাহাদি শুভকৰ্ম্মৰ যোগ দেখা যায়। শুভ কৰ্ম্মবোৰ নানা ঝঞ্জাতৰ মাজেদি হব। লুপ্তধন আৰু লটাৰীত ধন লাভ, ৰাজানুগ্ৰহ আৰু বিদেশ বন্ধু লাভৰ যোগ আছে। স্থানচ্যুত, শ্লেষ্মা পিত্ত পীড়া, কৃষি আদিত অশুভ ফল হব। যান বাহনত ভয়, চোৰৰ ভয়, ২৩ বছৰলৈ পৰীক্ষাৰ্থীৰ ফল শুভ, বিজ্ঞানত সুখ্যাতি লাভ।

**তুলা**—বহাগত বহু শুভকৰ্ম্ম হব। মাতৃ ভগ্নীৰ শুভ, নাও আদি জল যান বাহন লাভ হব, (১৭ পৰা ১৯ বছৰৰ) তুলাৰাশিৰ বিদ্যা বাধা। সংস্কৃত, সাহিত্য আৰু বিজ্ঞানাদিত সুখ্যাতি লাভ মকৰ্দ্দমাত জয় লাভ, বিৰোধ বন্ধুৰ লগত পুনঃ মিত্ৰতা, নিমনীয়া উদৰপীড়াত কষ্ট, মাহৰ শেষত শোক পীড়া আৰু চোৰৰ ভয় হব।

**বিছা**—বহাগৰ দ্বিতীয় সপ্তাহৰ পৰা বেয়া ফল, দাঁতৰ পীড়া, উদৰ পীড়া, টনচিল দন্তভয় দেখা যায়। ২৫ বছৰলৈ বিদ্যাত শুভ ফল, গনিতত বেয়া. চি, আই, দি চাকৰীত সুখ্যাতি লাভ, মাহৰ শেষ ছোৱাৰ ফল ভাল বুলিব নোৱাৰি।

**ধনু**—গোচৰীয় গুৰু ভাল হলেও বহাগ মাহটো বৰ অশান্তিৰে যাব। যান বাহনত মৃত্যু শঙ্কা সম্ভাবনা, সান্নিপাত পীড়াদিৰ যোগ দেখা যায়, অস্ত্ৰাঘাত প্ৰায় হব। ২৪ বছৰলৈ বিদ্যাত উন্নতি। বুৰঞ্জী, লজিকত শুভ, চাকৰীত বাধা, চুপিৰিয়ৰ অফিচাৰৰ পৰা অপ্ৰিয়, পাৰ্ব্বত্যাঞ্চলৰ চাকৰীত শুভ ফল।

**মকৰ**—বহাগত ধনোপাৰ্জ্জন, ভ্ৰমণ, নতুন ব্যৱসায়, অচিনাকী বন্ধুৰ পৰা লাভবান, লো, কাঠৰ ব্যৱসায়ত আৰু কণ্ট্ৰেক্টত লাভবান হব। ৰস, বাত আৰু পুৰণি পেটৰ পীড়াত ভুগিব। পৰীক্ষাৰ ফল শুভ, দৰ্শন জিওলোজি আৰু মাইনিংত শুভ, ২০ বয়সৰ মকৰাশিৰ বিদ্যা বাধা, জামিনত ক্ষতি, মাতুলৰ অশুভ।

**কুম্ভ**—বহাগত নিৰাশাত আশা, মকৰ্দ্দমাত জয় লাভ, সন্তান সুখ, ধনসঞ্চয়, পৰীক্ষাৰ্থীৰ শুভ ফল। মুখৰ দোষৰবাবে মানুহে বেয়া পাব, ভূমি লাভ, পুৰণি ৰক্তামশায়ৰ দোষ, ২৯ বছৰ বয়সলৈ বিদ্যা কাল, গনিত আৰু দৰ্শনত শুভ, চাকৰী লাভৰ যোগ।

**মীন**—বহাগ মাহৰ ফল নানা তৰহৰ অশুভ দেখা যায়, পৰীক্ষাৰ্থী সকলৰ কাৰণে এই মাহটো শুভ বুলিব নোৱাৰি। আঘাত আদি শাৰিৰীক অশুভ দেখা দিব। পাৰিবাৰিক অশান্তি প্ৰায় মাহতে থাকিব। ১৯ বছৰ বয়সৰ বিদ্যা বাধা, গনিতৰ ফল আশানুৰূপ নহব। বানিজ্যত ক্ষতি, পদে পদে অপমান, ১০ বহাগৰ পৰা ২৩ বহাগলৈ মধ্য ফল।

(দ্বাদশৰাশিৰ যি ফল দিয়া হল, ই সাধাৰণ ফলহে মাথোন, স্বকীয় ২ দশান্তৰ দশাৰ শুভাশুভ যোগানুসাৰে ফলাফল ফলিব)

**শ্ৰীগিৰীশ চন্দ্ৰ শৰ্ম্মা, জ্যোতিষ সামুদ্ৰিক ৰত্ন :—**
ভূতপূৰ্ব্ব প্ৰাচীন কামৰূপ পঞ্জিকাৰ প্ৰধান গণনা কাৰক পণ্ডিত, বৰপেটা জ্যোতিষ কাৰ্য্যালয়—


## ভাগ্য গণনা

অসমৰ খ্যাতনামা জ্যোতিষী ভূতপূৰ্ব্ব প্ৰাচীন কামৰূপ পঞ্জিকাৰ প্ৰধান গণনা কাৰক পণ্ডিত প্ৰবৰ শ্ৰীযুত গিৰীশ চন্দ্ৰ শৰ্ম্মা জ্যোতিষ সামুদ্ৰিক ৰত্নৰ দ্বাৰা আপোনাৰ ভূত, ভৱিষ্যত আৰু বৰ্ত্তমানৰ এবাৰ ভাগ্য গণনা কৰক।

ম্যানেজাৰ— শ্ৰীগুণমণি শৰ্ম্মা।

পোৱাৰ ঠিকনা—

### "বৰপেটা জ্যোতিষ কাৰ্য্যালয়"

পোঃ বৰপেটা, দহাটী।

১। হাত চোৱা— ৫৲ ১০ লৈ প্ৰশ্ন গণনা প্ৰত্যেক প্ৰশ্নত ২টা।

২। কোষ্ঠীবিচাৰ— ২৲ ৫৲ ২৫৲ লৈ।

৩। কোষ্ঠী প্ৰস্তুত— ৫৲ ১০৲ ২৫৲ ৫০৲ পৰা ২৫০৲ লৈ। অৰ্ডাৰৰ লগতে অনুগ্ৰহ কৰি অগ্ৰিম খৰছ পঠাব।

৪। গ্ৰহদোষত বেমাৰ ভুগা, আৰু নানা অশান্তি ভোগ কৰি থকা সকলে **"নৱগ্ৰহ কবচ"** ধাৰণ কৰিলে গ্ৰহ দোষৰ পৰা ৰক্ষা পাব। মূল্য— ১০৲

৫। যি কোনো পৰীক্ষাত বাৰ ২ অকৃত কাৰ্য্য হয়; সেইবোৰ পৰীক্ষাৰ্থীয়ে **"সৰস্বতী কবচ"** ধাৰণ কৰিলে উচ্চ বিদ্যালাভ কৰি জগতত সুখ্যাতি লাভ কৰিব পাৰিব। মূল্য— ১৫৲

৬। অপুত্ৰক পুত্ৰ লাভ বাধক পীড়াৰ কৰাল হাতৰ পৰা ৰক্ষা পৰিব মন কৰিলে **"শিৱ কবচ"** ধাৰণ কৰক! এই "কবচ" তেখেতৰ পিতৃ দেৱক সন্ন্যাসীয়ে দি গৈছে। অতি ফলপ্ৰদ "কবচ"। মূল্য ৫৲

মেনেজাৰ জ্যোতিষ কাৰ্য্যালয়।
বৰপেটা।



## 'USHA MONTHLY'

(*NINTH YEAR OF PUBLICATION*)

A cultural Bengali Journal comprises most outstanding writings from the renowned writers in Bengali Literature

ANNUAL SUBSCRIPTION ......... *Rs.* 4/8/-

SINGLE COPY ......... /6/- ANNAS SIX ONLY.

**Best Medium of Advertisement**

**Rates are very moderate.**

**Contact : Manager, Usha Monthly, 33, Amherst Street, Calcutta-9.**

# নিয়মাৱলী

১। 'বিহলঙনি' মাহেকীয়া আলোচনী অসমীয়া মাহৰ প্ৰথম পষত প্ৰকাশিত হব।

২। ইয়াত সকলো প্ৰকাৰৰ গল্প, প্ৰবন্ধ, কবিতা, আলোচনা, কিতাপৰ সমালোচনা আদি প্ৰকাশ হব।

৩। গল্প আৰু প্ৰবন্ধ ১৫০০ শব্দৰ ভিতৰত হোৱা বাঞ্চনীয়। একাদিক্ৰমে ছপাবলগীয়া প্ৰবন্ধ বা উপন্যাস একেলগে পঠাব লাগে।

৪। অমনোনীত কোনো প্ৰবন্ধ পাতি ঘুৰাই পঠোৱাৰ দায়িত্ব লোৱা নহয়।

৫। প্ৰবন্ধাদি প্ৰকাশ সম্পৰ্কে সম্পাদকৰ সিদ্ধান্তই চূড়ান্ত পৰিগণিত হব।

৬। সমালোচনাৰ কাৰণে পঠোৱা কিতাপ সদায় দুখন পঠাব লাগে।

৭। বছেৰেকীয়া বৰঙণি ৪।০ টকা বা ছমহীয়া বৰঙণি ২।০ টকা মনিঅৰ্ডাৰকৰি পঠালে গ্ৰাহক হব পাৰি। এজেণ্টৰ পৰা খনে ।৴০ অনা।

৮। প্ৰাইমেৰী আৰু মজলীয়া স্কুলৰ শিক্ষকৰ বাবে বছেৰেকীয়া বৰঙণি ৪৲ টকা আগেয়ে পঠাই গ্ৰাহক হব পাৰি।

৯। এজেণ্ট সকলৰ কাৰণে ভাল সুবিধা আছে।

## মাহেকীয়া আলোচনী—

বছেকীয়া বৰঙণি— ৪॥০, আগতীয়াকৈ শোধাব লাগে। প্ৰতি সংখ্যা ।৴০ অনা মাত্ৰ।

## জাননীৰ নিৰিখ—

| | | | | | |
|---|---|---|---|---|---|
| | প্ৰথম বেটুপাতৰ আদ পিঠিত | — | ৬০৲ টকা | প্ৰতি | সংখ্যাত। |
| | ৪ৰ্থ পিঠিত | — | ৬০৲ ,, | ,, | ,, |
| | ৪ৰ্থ আদ পিঠিত | — | ৩৫৲ ,, | ,, | ,, |
| ২য় | বেটুপাতৰ ভিতৰ ফালে সম্পূৰ্ণ পিঠিত | — | ৫০৲ ,, | ,, | ,, |
| ৩য় | আদ পিঠিত | — | ২৭ ,, | ,, | |

## সাধাৰণ পৃষ্ঠাত—

| | | | | |
|---|---|---|---|---|
| সম্পূৰ্ণ এপিঠিত | — | ৪০৲ টকা | প্ৰতি | সংখ্যাত। |
| আদ পিঠিত | - | ২১৲ ,, | ,, | ,, |
| সিকি ,, | — | ১১৲ ,, | ,, | ,, |

জাননীৰ লগতে ইয়াৰ খৰচফেৰি আগধৰি পঠাব লাগে।

—কাৰ্য্যাধ্যক্ষ—
বিহলঙনি।

Printed & Published by M. C. Dev Goswami at the BIHLANGANI PRESS Naharganon (Nowgong) and issued, at the BIHLANGANI. P. O. (Nowgong).